সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৩০ সংখ্যা, ১২ শাওণ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.30 Date Of Publication - 28 July 2024 Rs.10.00/-

## কেন্দ্ৰীয় বাজেটত সোণৰ আবকাৰী শুল্ক হ্ৰাস কৰাৰ এদিনতে ১০.৮ লাখ কোটি টকাৰ মূল্য হেৰুৱালে সোণে



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বাজেট ২০২৪-২৫ত সোণৰ আবকাৰী শুল্ক ৬ শতাংশ হ্ৰাস কৰাৰ লগে লগে মূল্যবান সোণৰ মূল্য ইমানেই হ্ৰাস পালে যে এদিনতে ১০.৮ লাখ কোটি টকাৰ মূল্য হেৰুৱাবলগীয়া হ'ল সোণে। কেন্দ্ৰীয় চৰকাৰে ২৩ জুলাইত দাখিল কৰা বাজেটত সোণৰ আবকাৰী শুল্ক ৬ শতাংশ হ্ৰাসৰ সিদ্ধান্ত লয়। ইয়াৰ পিছতে প্ৰতিগৰাকী ভাৰতীয়ৰ ঘৰত থকা সোণৰ মূল্য হ্ৰাস পালে, আনকি বজাৰত থকা সোণৰ মূল্যও হ্ৰাস পায়। বাজেটেই সোণৰ ক'লা দিৱসলৈ ৰূপান্তৰিত কৰিলে। ভাৰত হৈছে বিশ্বৰ বৃহত্তম সোণৰ ভঁৰাল থকা দেশ। প্ৰতিটো পৰিয়ালতে সোণ থাকে, সোণৰ আ-অলংকাৰ থাকে, চৰকাৰে সোণৰ আবকাৰী মূল্য হ্ৰাস কৰাৰ বাবে পৰিয়ালত থকা জমা সোণৰ মূল্যও হ্ৰাস পালে। তুলনামূলক ভাবে সোণৰ মূল্য হ্ৰাস হোৱাত প্ৰতিটো পৰিয়ালৰ সম্পত্তিৰো মূল্য হ্ৰাস পালে। সমগ্ৰ বিশ্বৰ সোণৰ ভিতৰত ভাৰতৰ পৰিয়ালত থকা সোণৰ ভঁৰাল প্ৰায় ১১ শতাংশ। আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, ছুইজাৰলেণ্ডৰ দৰে উন্নত দেশ আৰু আইএমএফত থকা সোণৰ ভঁৰালতকৈও ভাৰতত প্ৰতিটো পৰিয়ালত থকা সোণৰ মুঠ সংগ্ৰহ অধিক। বাজেট দাখিলৰ পিছতে সোণৰ মূল্য প্ৰতি দহ গ্ৰামত ৫, ০০০ টকাকৈ হ্ৰাস পায়। ইয়াৰ পৰিণতিত বজাৰত থকা সোণৰো মূল্য হ্ৰাস পায়। ঠিক তেনেদৰে প্ৰতিটো পৰিয়ালত

(দহ পৃষ্ঠাত চাওক)

## ২০২৪ত অসমত ১৩৯.৩ শতাংশলৈ হ্ৰাস অপৰাধৰ হাৰঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২১ চনৰ তুলনাত যোৱা তিনিটা বছৰত গোচৰ পঞ্জীয়নৰ হাৰ উল্লেখনীয়ভাবে হ্ৰাস পোৱাৰ বিপৰীতে চাৰ্জশীট দাখিলৰ হাৰ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰা তথ্য অনুসৰি, ২০২১ চনত প্ৰতি এক লাখ জনসংখ্যাৰ বিপৰীতে অপৰাধ আছিল ১, ৩৩, ২৩৯। ২০২৩ চনত এই হাৰ ৫০.৯১ শতাংশ হ্ৰাস পাই হয়গৈ ৬৫, ৩৯৫। চলিত ২০২৪ বৰ্ষৰ জুন মাহ পৰ্যন্ত অপৰাধৰ হাৰ ২০২১ চনৰ তুলনাত ১৩৯.৩ শতাংশলৈ হ্ৰাস পায়। ২০২১ চনত ৰাজ্যখনত অপৰাধৰ হাৰ আছিল ৩৮০.২ শতাংশ। সেইদৰে ২০২১ চনত ৰুজু হোৱা গোচৰৰ বিপৰীতে চাৰ্জশীট দাখিলৰ হাৰ আছিল ৩৯.৪০ শতাংশ।

(দহ পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নিটি আয়োগৰ বৈঠক




ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত ৰাষ্ট্ৰপতি ভৱনৰ কালচাৰেল চেণ্টাৰত নীতি নিৰ্ধাৰণকাৰী সৰ্বোচ্চ সংস্থা নিটি আয়োগৰ বৈঠক অনুষ্ঠিত হয়। 'বিকশিত ভাৰত ২০৪৭' থীমেৰে বৰ্ষটোৰ বৈঠকখনত বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত প্ৰাধান্য দিয়া হয়। দেশৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয়শাসিত অঞ্চলৰ উপ-ৰাজ্যপালকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীৰ পদেন সদস্য, নিমন্ত্ৰিত সদস্য আৰু স্থায়ী সদস্যৰ উপস্থিতিত অনুষ্ঠিত বৈঠকখনত বিকশিত ভাৰতক লৈ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক প্ৰাধান্য দিয়া হয়। খোৱাপানী, বিদ্যুৎ, স্বাস্থ্য, বিদ্যালয় আৰু ভূমি-সম্পত্তি সন্দৰ্ভত এই বৈঠকত কেইবাটাও সিদ্ধান্তত অনুমোদন জনোৱা হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'বিকশিত ভাৰত২০৪৭' গঢ়াৰ ক্ষেত্ৰত

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান.....

## পঞ্চ ইন্দ্ৰিয়ৰ অন্যতম আমাৰ কেমেৰাটো

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



আমাৰ চকু যোৰে কেমেৰাৰ দৰে বস্তু দেখিলেই ফটো তুলি ৰাখে নহয়নে বাৰু! আমাৰ চৌপাশৰ বাৰেবৰণীয়া পৃথিৱীখনৰ ৰং সমূহ চিনি পোৱাত সহায় কৰে চকুৱে। নেদেখাকৈ আমি ৰং চিনিব নোৱাৰোঁ। চকু দুটা মুদি দিলে আন্ধাৰ হৈ থকা যেন অনুভৱ হয়। আমাৰ এই কেমেৰটোৱে কেনেদৰে কাম কৰে জানো আহাঃ কোনো এটা বস্তু যদি আন্ধাৰত থাকে, আমি পোহৰত থাকিলেও কিন্তু বস্তুটো দেখা নাপাওঁ। অৰ্থাৎ বস্তুটোত পোহৰ পৰি সেই পোহৰ আহি আমাৰ চকুত সোমালেহে আমি বস্তু টো দেখা পাম। চকুৰ আকৃতি আমি গোলাকৃতিৰ বুলিয়েই ক'ব পাৰোঁ নহয়নে বাৰু! চকুৰ বাহিৰৰ আৱৰণটো দেখাত বগা। সন্মুখত কৰ্ণিয়া নামৰ এখন পাতল ছাল থাকে। এই কৰ্নিয়াৰ মাজেৰে পোহৰ চকুত সোমায়।কৰ্ণিয়াৰ পিছফালে আইৰিচ নামৰ ঘন ৰঙৰ পেশীৰ গাঁথনি এটা থাকে। আইৰিচত ছিদ্ৰ এটা থাকে, সেই ছিদ্ৰ টোকে চকুৰ মণি বুলি কোৱা হয় । চকুৰ মণিৰ আকাৰ আইৰিছে নিয়ন্ত্ৰণ কৰে। আইৰিছৰ বাবেই চকুৰ মণিৰ ৰং বেলেগ বেলেগ দেখা যায়। আইৰিছে চকুলৈ অহা পোহৰৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে। চকুৰ মণিৰ পিছফালে মাজভাগ ওফন্দা প্ৰকৃতিৰ লেন্স এখন থাকে। এই লেন্স খনে চকুৰ পিছফালে থকা

(দহ পৃষ্ঠাত চাওক)

# বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিলে চৰাইদেউ মৈদামে



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ বাবে এক ঐতিহাসিক দিন। অসম তথা ৰাজ্যবাসীৰ বাবে শুকুৰবাৰৰ দিনটো ঐতিহাসিক দিন হিচাপে চিহ্নিত হৈ ৰ'ব ইতিহাসৰ পাতত। দীৰ্ঘ প্ৰতীক্ষাৰ অন্ত পেলাই নতুন দিল্লীত অনুষ্ঠিত হৈ থকা ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৬সংখ্যক সাধাৰণ অধিৱেশনে এই বহু প্ৰত্যাশিত খবৰ অসমবাসীলৈ প্ৰেৰণ কৰে। বিশ্ব ঐতিহ্য সমিতিৰ অধ্যক্ষ বিশাল ভি শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত সাধাৰণ অধিৱেশনত আনুষ্ঠানিকভাৱে ইয়াৰ অধিসূচনা প্ৰকাশ কৰা হয়। বিশ্ব ঐতিহ্য সমিতিৰ সিদ্ধান্তৰ পিছতে ভাৰত মণ্ডপমত এখন সংবাদ মেল সম্বোধন কৰে কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে। এই সংবাদ মেলতে কাৰ্যতঃ 'অসমৰ পিৰামিড' ৰূপে পৰিচিত চৰাইদেউৰ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভৰ ঐতিহাসিক সিদ্ধান্তৰ বিষয়ে সদৰী কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়- 'আজিৰ দিনটো আমাৰ বাবে অতি গৌৰৱৰ দিন। অসমৰ চৰাইদেউৰ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। ইয়াৰ লগে লগে পৰ্যটন খণ্ড আৰু মৈদামৰ আশে-পাশে থকা স্থানসমূহৰ ব্যাপক উন্নয়ন হ'ব। তদুপৰি আমাৰ বহুল বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি প্ৰদৰ্শন হ'ব আকৌ এবাৰ।' চৰাইদেউ মৈদামৰ অসাধাৰণ সাৰ্বজনীন মূল্য বুজি পোৱাৰ বাবে তেওঁ ইউনেস্ক' আৰু বিশ্ব ঐতিহ্য সমিতিক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা ২১ জুলাইৰ পৰা নতুন দিল্লীত অনুষ্ঠিত হৈছে বিশ্ব ঐতিহ্য সমিতিৰ ৪৬সংখ্যক সাধাৰণ অধিৱেশন। অহা ৩১

(দহ পৃষ্ঠাত চাওক)

# বংশৰত গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ অন্তৰ্গত বংশৰত ছয়দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা খনৰ শনিবাৰে সামৰণি পৰে। স্কুল সঞ্চালিকাদ্বয় দিপাসেন গুপ্তা আৰু পূৰবী শৰ্মাই কৰ্মশালাখনিত প্ৰায় ৪১গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে বুলি জানিবলৈ দিছে। সামৰণি অনুষ্ঠানত নিয়মীয়া বাৰ্তা কাকতৰ সাংবাদিক দিলীপ মেধি উপস্থিত থাকি কয় যে, ছাত্ৰ-ছাত্ৰী সকলে নৃত্য, গীত, খেলকে ধৰি বিভিন্ন কৰ্মশালাত অংশগ্ৰহণ কৰিব লাগে আৰু এইক্ষেত্ৰত অভিভাৱক সকলেও অধিক গুৰুত্ব দিব লাগে। কৰ্মশালা খনিত নৃত্যৰ প্ৰশিক্ষণ দিয়ে উদীয়মান অভিনেতা তথা নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্যই, সংগীতৰ প্ৰশিক্ষণ দিয়ে কণ্ঠ শিল্পী কৰিষ্মা ৰাণী, আৰ্ট-গকুল দাস, হস্তকলা-চুমিত্ৰা দাস আৰু চয়ানিকা দাস, কথোপকথন-কবৰী মেধি। অনুষ্ঠানত উপস্থিত থাকে স্কুল পৰিচালক-বুবুল শৰ্মা আৰু গকুল দাস। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰী সকলে গীত, নৃত্য, আবৃত্তিৰ লগতে অভিভাৱক সকলৰ মাজত খেল এখনো অনুষ্ঠিত কৰা হয়।

# লাডাখত কাৰ্গিল যুদ্ধৰ শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কাৰ্গিল বিজয় দিৱস উপলক্ষে লাডাখৰ দ্ৰাছৰ কাৰ্গিল যুদ্ধ স্মৃতিসৌধত উপস্থিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৯৯ চনত ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত দেশ ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ২৫ বছৰ অতিক্ৰম কৰা কাৰ্গিল যুদ্ধৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ বাবে বৃহস্পতিবাৰৰ পৰা দ্ৰাছত দুদিনীয়া কাৰ্যসূচীৰ আৰম্ভণি হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত দেশপ্ৰেমমূলকভাৱেৰে এই কাৰ্যসূচীৰ সামৰণি পৰে। কাৰ্যসূচীত বৃহৎ সংখ্যক জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত বিষয়া, বীৰত্ব বঁটা বিজয়ী, প্ৰাক্তন সেনাবাহিনী তথা কাৰ্গিল যুদ্ধৰ সময়ত প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ পৰিয়ালো উপস্থিত থাকে। জোৱান আৰু তেওঁলোকৰ পৰিয়াল আৰু অন্যান্য সন্মানীয় অতিথিসকলক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এক 'গুৰ্ডাছ কালচাৰ' অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীয়ে কেৱল লাডাখৰ নহয়, সকলো ভাৰতীয়ৰ সজীৱ সংস্কৃতি, জাতীয় মনোভাৱ, দেশপ্ৰেম প্ৰতিফলনৰ লগতে জাতিক সংজ্ঞায়িত কৰা ঐক্যৰ কথা সুন্দৰভাৱে প্ৰদৰ্শিত কৰে। উল্লেখযোগ্য যে ১৯৯৯ চনৰ ২৬ জুলাই দিনটোতেই ভাৰতীয় সেনাই পাকিস্তানৰ বিৰুদ্ধে যুঁজ দি কাৰ্গিলত বিজয় সাব্যস্ত কৰিছিল। দুমাহ ধৰি চলি থকা এই যুঁজৰ পাছত ভাৰতীয় সেনাই বিজয় ঘোষণা কৰি 'অপাৰেচন বিজয়'ৰ সফল সমাপ্তি ঘোষণা কৰিছিল। যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ বিজয়ক স্মৰণ কৰিবলৈ এই দিনটোক 'কাৰ্গিল বিজয় দিৱস' হিচাপে পালন কৰা হয়।

# বাংলাদেশক পৰাস্ত কৰি এছিয়া কাপৰ ফাইনেলত ভাৰত



ৰঙিলী বাৰ্ত্তাসেৱা- মহিলাৰ এছিয়া কাপত দুৰ্দান্ত প্ৰদৰ্শনেৰে বিজয়ৰ ধাৰা অব্যাহত ৰাখি প্ৰতিযোগিতাখনৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতীয় দলে। শুকুৰবাৰে ডাম্বুলাত অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতে বাংলাদেশক ১০ উইকেটত পৰাস্ত কৰি এছিয়া কাপৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ৮০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ১১ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৮৩ ৰান সংগ্ৰহ কৰি বিজয় সাব্যস্ত কৰে। শ্বেফালী বাৰ্মা আৰু স্মৃতি মন্ধানাৰ অপেনিং যুটিটোৱে ৮৩ ৰাণৰ অংশীদাৰীত্ব গঢ়ি ভাৰতীয় দলৰ বাবে এক সহজ জয় নিশ্চিত কৰে। মন্ধানাই অপৰাজিত ৫৫ ৰাণৰ ইনিংছ খেলাৰ বিপৰীতে আৰু শ্বেফালীয়ে অপৰাজিত ২৬ ৰাণ সংগ্ৰহ কৰি দলক জয়ৰ সোৱাদ দিয়ে। ভাৰতৰ হৈ ৰেণুকা সিং ঠাকুৰ আৰু ৰাধা যাদৱে তিনিটাকৈ উইকেট দখল কৰে। আনহাতে পূজা বস্ত্ৰকাৰ আৰু দীপ্তি শৰ্মায়ো এটাকৈ উইকেট দখল কৰে। শ্ৰীলংকাৰ লগত ফাইনেলত প্ৰতিদ্বন্দিতা কৰিব ভাৰতে।

# দৰঙত নতুন নৌকা স্বাস্থ্য সেৱাৰ শুভাৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলদৈৰ গা-ধোৱা ঘাটত আয়োজিত এক অনুষ্ঠানত জিলাখনৰ নৈ-পৰীয়া ৰাইজৰ সুবিধাৰ কাৰণে এক নৌকা স্বাস্থ্য সেৱাৰ শুভাৰম্ভ কৰা হয়। দৰং জিলা প্ৰশাসনে চেন্টাৰ ফৰ নৰ্থ ইষ্ট ষ্টাডিজ এণ্ড পলিচী ৰিচাৰ্চ (চি-নেছ) আৰু গ্লেনমাৰ্ক ফাউণ্ডেশ্যনৰ সহযোগত এই নৌকা স্বাস্থ্য সেৱা প্ৰৱৰ্তন কৰিছে। অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব টি ৰাই দাসে মঙ্গলদৈ বিধান সভা সমষ্টিৰ বিধায়ক বসন্ত দাস, দৰঙৰ জিলা আয়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে আৰু অন্যান্য সকলৰ উপস্থিতিত নৌকা স্বাস্থ্য সেৱাৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মঙলদৈৰ বিধায়ক বসন্ত দাসে জিলাখনৰ স্বাস্থ্য ক্ষেত্ৰত এক নতুন মাত্ৰাৰ সংযোজন হ'ল বুলি মন্তব্য কৰে। ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে স্বাস্থ্য, যোগাযোগ আদি ক্ষেত্ৰৰ উন্নয়নৰ বাবে তেওঁ পূৰ্বে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ প্ৰসংগত অঞ্চলবাসীৰ বাবে এখন নৌকা এম্বুলেন্সৰ ব্যৱস্থা কৰাৰ কথাও উল্লেখ কৰে। প্ৰাক্তন মুখ্য সচিব টি ৰাই দাসে কয় যে প্ৰান্তীয় অঞ্চলৰ লোক, বিশেষকৈ মহিলা, স্বাস্থ্য সেৱা লাভৰ ক্ষেত্ৰত পিছপৰি থাকে। পাৰ্বত্য অঞ্চলৰ এগৰাকী জীয়ৰী হিচাপে নিজৰ অভিজ্ঞতাৰ

(দহ পৃষ্ঠাত চাওক)

# মানকটা শাখা সাহিত্য সভাৰ উদ্যোগত ড° লীলা গগৈৰ স্মৃতিচাৰণ সভা

ৰঙিলী বাৰ্ত্তাসেৱা- মানকটা শাখা সাহিত্য সভাৰ উদ্যোগত মানকটা শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৰেশনৰ আদৰণী সমিতিৰ সহযোগত ডিব্ৰুগড় মিলন নগৰস্থিত মিলনজ্যোতি সংঘৰ প্ৰাঙ্গণত অসমৰ বিশিষ্ট সাহিত্যিক, বুৰঞ্জীবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° লীলা গগৈৰ মৃত্যুবাৰ্ষিকৰ লগত সংগতি ৰাখি স্মৃতিচাৰণ সভা ২৩ জুলাইত অনুষ্ঠিত কৰা হয়। মানকটা শাখা সাহিত্য সভাৰ সম্পাদক নৱনীতা শ্যাম উৰভীয়া, উপ-সভাপতি তথা আদৰণী সমিতিৰ সম্পাদক কুসুম সোনোৱাল শইকীয়া, উপদেষ্টা তথা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰকাশন সচিব প্ৰশান্ত শইকীয়াই যুটীয়াভাৱে আঁতধৰা স্মৃতিচাৰণ অনুষ্ঠানত সভাপতিত্ব কৰে মানকটা শাখাৰ সভাপতি পোনা সোনোৱালে। অনুষ্ঠানৰ আৰম্ভণিতে শাখাৰ সদস্য সকলৰদ্বাৰা "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক গীত পৰিৱেশনৰ পাছতে ড° লীলা গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে শাখাৰ সভাপতিয়ে। সভাত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি নোমল চন্দ্ৰ গগৈ, মিলনজ্যোতি সংঘৰ উপ-সভাপতি জ্ঞান শৰ্মাৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে ডিব্ৰু মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁয়ে ভাষণ প্ৰদান কৰি ড° লীলা গগৈৰ ৰচনাৰাজিৰ বিভিন্ন বৈশিষ্ট্যৰ বিষয়ে তথ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। এই সভাতে মানকটা শাখাৰ সদস্য সকলৰ দ্বাৰা এই মহান ব্যক্তিৰ বিষয়ে নিজস্ব অনুভৱ ব্যক্ত কৰাৰ উপৰিও ড° লীলা গগৈৰ দ্বাৰা ৰচিত কবিতা



পাঠ আৰু গীত পৰিৱেশনেৰে তেখেতক স্মৰণ কৰা হয়। মানকটা শাখা সাহিত্য সভাৰ উপদেষ্টা অনিমা কোঁচ গগৈ, সাংগঠনিক সম্পাদক তথা আদৰণী সমিতিৰ সাংস্কৃতিক সম্পাদক কুশল কোঁৱৰ, সহকাৰী সম্পাদকদ্বয় ৰঞ্জু সোনোৱাল আৰু দীপৰেখা সোনোৱাল, 'আকাশ'ৰ আহ্বায়ক ৰিণু বৰগোহাঞি, পত্ৰিকা সম্পাদক অৰুণিমা বৰুৱা, প্ৰচাৰ সম্পাদক তৰুণজ্যোতি ফুকন, সাংগঠনিক সম্পাদক পৰমানন্দ নাথ, সদস্য ক্ৰমে মনোৰমা বাথৌ, প্ৰশান্ত শইকীয়া, ভাস্কৰ জ্যোতি বড়া, ডাঃ গুণকান্ত উৰভীয়া, ৰাণা মেচ আদি প্ৰমুখ্যে কৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। এই সভাতে মানকটা শাখা সভাৰ আজীৱন সভ্য তথা সাংবাদিক প্ৰশান্ত শইকীয়াক "অসম কণ্ঠৰ ২০২৩-২৪ বৰ্ষৰ সংক্ৰিয় সাংবাদিকতা বঁটা" লাভ কৰাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। শলাগৰ শৰাইৰ পাছতে জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ সমাপ্তি ঘটে।

# গুৱাহাটী মহানগৰীত পুনৰ মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত পুনৰ উদ্ধাৰ হৈছে মৃতদেহ। গুৱাহাটীৰ ৰূপনগৰৰ শংকৰদেৱ পথৰ এটা বাসগৃহত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে এজন যুৱকৰ মৃতদেহ। জানিব পৰা মতে উদ্ধাৰ হোৱা মৃতদেহটো নলবাৰীৰ জাগাৰাৰ পংকজ বৈশ্য নামৰ এজন ব্যক্তিৰ বুলি চিনাক্ত কৰা হৈছে। ভাড়াঘৰৰ শোৱাপাটীত পংকজৰ মৃতদেহ উদ্ধাৰক লৈ সৃষ্টি হৈছে চাঞ্চল্য। তেওঁ শংকৰদেৱ পথৰ বকুল দৈমাৰী নামৰ এজন লোকৰ ঘৰত যোৱা ৪ বছৰ ধৰি ভাড়াতীয়া হিচাপে আছিল। আনহাতে পংকজ বৈশ্য মৃত্যুৰ পিছতে তেওঁৰ পৰিয়ালে ভাড়াঘৰৰ মালিকৰ বিৰুদ্ধে উত্থাপন কৰিছে গুৰুতৰ অভিযোগ। মৃত পংকজৰ পৰা ঘৰৰ মালিক বকুল দৈমাৰীয়ে ৪০ হাজাৰ টকা ধাৰালৈ লৈছিল। এই ধনক লৈয়ো পৰৱৰ্তী সময়ত দুয়োৰে মাজত সংঘাতৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতি ৰহস্যজনকভাৱে শোৱা পাতিত পংকজ বৈশ্যৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্য সৃষ্টি কৰাৰ সমান্তৰালকৈ ৰহস্যৰো সৃষ্টি কৰিছে। পৰিয়ালৰ লোকে এই ঘটনাৰ উচিত তদন্তৰ দাবী কৰিছে।

# বিৰুবাৰীৰ ট্ৰেন্সফৰ্মাৰ বিস্ফোৰণত আহত এগৰাকী মহিলাৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ১৭ জুলাইত গুৱাহাটী মহানগৰীৰ বিৰুবাৰীত সংঘটিত হোৱা ট্ৰেন্সফৰ্মাৰ বিস্ফোৰণত গুৰুতৰভাৱে আহত হোৱা এগৰাকী মহিলাৰ আজি গুৱাহাটি চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। নিহত মহিলাগৰাকীৰ নাম ৰিংকী তিৱাৰী। ইফালে এই ঘটনাত আহত হোৱা ৰিংকী তিৱাৰীৰ ৬ বছৰীয়া কন্যা সন্তানটিও এতিয়াও জি এম চি এইছতে চিকিৎসাধীন হৈ আছে। মহিলাগৰাকীৰ মৃত্যুৰ সন্দৰ্ভত জি এম চি এইছৰ অধ্যক্ষ ড° অভিজিৎ শৰ্মাই কয়, ৰিংকী তিৱাৰী নামৰ ২৫ বছৰীয়া মহিলাগৰাকী ট্ৰেন্সফৰ্মাৰ বিস্ফোৰণৰ ফলত ৬০ ৰ পৰা ৬৫ শতাংশ অগ্নিগদ্ধ অৱস্থাত আহিছিল। নিশা ১২-৩০ বজাত তেওঁৰ মৃত্যু হৈছে। তেওঁ কয়, 'কেমিকেল বাৰ্ন'ৰ ফলত হোৱা আঘাতৰ পাছত ৰোগীগৰাকী সুস্থিৰ হৈ আছে নে নাই সেই সন্দৰ্ভত ক'বলৈ বহু অসুবিধা হয়। মই এই মহিলাগৰাকীৰ আত্মীয়সকলকো কৈছিলোঁ যে মহিলাগৰাকী সুস্থিৰ হৈ আছে কিন্তু বিপদৰ পৰা মুক্ত নহয়। মঙ্গলবাৰে দিনটোত তেওঁক যিখিনি দৰৱ দিব লাগে সেইখিনি দিয়াৰ পিছত তেওঁ সুস্থিৰ হৈ আছিল যদিও নিশা অৱস্থা অধিক বেয়া হৈ পৰে আৰু সুস্থিৰ অৱস্থালৈ ঘূৰি নাহে। উল্লেখ্য যে, ১৭ জুলাইৰ বিয়লি প্ৰায় ৩ বজাত বিৰুবাৰী আৰক্ষী চকীৰ সমীপৰ হাউচ নং ৪৭ ৰ চৌহদত থকা এটা ব্যক্তিগত ট্ৰেন্সফৰ্মাৰ বিস্ফোৰণত শিশুসহ মুঠ ৪ জন লোক গুৰুতৰ ভাৱে আহত হৈছিল।

# আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ সদস্য হিচাপে পুনৰ নিৰ্বাচিত নীতা আম্বানী



ৰঙিলী বাৰ্ত্তাসেৱা- আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতি(IOC)ৰ সদস্য হিচাপে পুনৰ নিৰ্বাচিত ৰিলায়েন্স ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক আৰু অধ্যক্ষ নীতা আম্বানী। পেৰিছত অনুষ্ঠিত ১৪২ সংখ্যক IOC ৰ অধিৱেশনত তেওঁ ১০০% ভোট লাভ কৰি সৰ্বসন্মতিক্ৰমে জয়লাভ কৰে। ভাৰতৰ পৰা পুনৰ IOC সদস্য হিচাপে নিৰ্বাচিত হোৱাৰ পিছত নীতা আম্বানিয়ে কয়, "আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতিৰ সদস্য হিচাপে পুনৰ নিৰ্বাচিত হোৱাত মই গভীৰভাৱে সন্মানিত হৈছো। মোৰ ওপৰত বিশ্বাসৰ বাবে সভাপতি আৰু IOCৰ মোৰ সকলো সহকৰ্মীক ধন্যবাদ জনাইছো। এই পুনৰ নিৰ্বাচন কেৱল ব্যক্তিগত মাইলৰ খুঁটি নহয়, বিশ্ব ক্ৰীড়া জগতত ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ স্বীকৃতিও। এই আনন্দ আৰু গৌৰৱৰ এই মুহূৰ্তটো প্ৰতিজন ভাৰতীয়ৰ লগত ভাগ কৰিব বিচাৰিছো ভাৰত আৰু সমগ্ৰ বিশ্বতে অলিম্পিক আন্দোলনক শক্তিশালী কৰাৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আগ্ৰহী।" মন কৰিবলগীয়া যে, নীতা আম্বানীয়ে ৰিলায়েঞ্চ ফাউণ্ডেচনৰ জৰিয়তে সমগ্ৰ দেশত অলিম্পিক ক্ৰীড়াৰ প্ৰচাৰ, প্ৰসাৰ আৰু বিকাশত গুৰুত্ব আৰোপ কৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ৰিলায়েঞ্চ ফাউণ্ডেচনৰ অধীনত স্থাপন কৰিছে অত্যাধুনিক সুবিধা সম্পন্ন ক্ৰীড়া প্ৰকল্প। য'ত নিৰ্বাচিত খেলুৱৈয়ে বিনামূলীয়াকৈ প্ৰশিক্ষণ গ্ৰহণ কৰি দেশৰ হৈ বিশ্ব মঞ্চত উন্নত প্ৰদৰ্শনেৰে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। পেৰিছ অলিম্পিকৰ পূৰ্বে পেৰিছত অনুষ্ঠিত হোৱা ১৪২ সংখ্যক IOC অধিৱেশনত ১০০ শতাংশ ভোট লাভ কৰি পুনৰ এবাৰ নিৰ্বাচিত হোৱা নীতা আম্বানীয়ে প্ৰথমবাৰৰ ২০১৬ ত ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত হোৱা অলিম্পিকৰ সময়ত ইণ্টাৰনেচনল অলিম্পিক কমিটীৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। তাৰ পাছৰে পৰা অলিম্পিকৰ মঞ্চত তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। যোৱা ২০২৩ বৰ্ষত মুম্বাইত অনুষ্ঠিত হোৱা ইণ্টাৰনেচনেল অলিম্পিক কমিটীৰ বৈঠকো নীতা আম্বানীৰ পৃষ্ঠপোষকতাতে অনুষ্ঠিত হৈছিল। আনকি এইগৰাকী ক্ৰীড়া সংগঠকে অলিম্পিকৰ মঞ্চত ভাৰতত অলিম্পিক অনুষ্ঠিত কৰাৰ সন্দৰ্ভতো বক্তব্য ৰাখিছে। সেই অনুসৰিয়েই ভাৰত চৰকাৰেও ইতিমধ্যে ভাৰতত অলিম্পিক অনুষ্ঠিত কৰিব পৰাকৈ ক্ৰীড়া আন্তঃগাঁথনি উন্নয়নত গুৰুত্ব দিয়া বুলি সংসদতো উল্লেখ কৰিছে।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ বাৰ্ষিক অধিৱেশন




ৰঙিলী বাৰ্ত্তাসেৱা- কিছুমান শব্দই মানুহৰ জীৱন সলনি কৰি দিব পাৰে। অসমীয়া ভাষাত পৰ্টুগীজ, আৰবী, বড়ো, টাই আদি ভাষাৰ অনেক শব্দ আছে।-এই মন্তব্য কটন কলেজৰ গণিত বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক ড° দিলীপ শৰ্মাৰ। ২১ জুলাইত গণেশপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হোৱা সভাত গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ বাৰ্ষিক অধিৱেশনত মুখপত্ৰৰ সভাপতি উমেশ চন্দ্ৰ ভাগৱতী আৰু সম্পাদক জ্যোতিষ বৰুৱাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'প্ৰত্যাশা' উন্মোচন কৰি মুখ্য অতিথি তথা প্ৰাক্তন অধ্যাপক ড° দিলীপ শৰ্মাই এই মন্তব্য প্ৰদান কৰে। তেওঁ পুনৰ কয়-ড° বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনে বিশ্বৰ বুকুত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিছিল। বেজবৰুৱাৰ লিখনিৰ লগতে কেবাজনো বিখ্যাত লিখকৰ লিখনিত অংক দেখিবলৈ পোৱা যায়। সাংগঠনিক সম্পাদক গকুল বৰুৱাই আঁত ধৰা সভাত সুৰেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা বীণা দাসৰ পৰিচালনাত সমবেত গীতেৰে অনুষ্ঠানটো শুভাৰম্ভ কৰা হয়। সভাপতি শিব প্ৰসাদ ভট্টাচাৰ্যই পৌৰোহিত্য কৰা সভাত কোষাধ্যক্ষ লংকেশ্বৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰে। উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰে আদৰণি ভাষণ দিয়া সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক ৰঞ্জন বড়োৱে। সদস্য সঞ্জীৱ দেৱচৌধুৰীয়ে আঁত ধৰা সভাত মালিতা ডেকা, মনীষা সাহা, ডৰিকা শৰ্মাই কবিতা আবৃত্তি কৰে। শুক্লেশ্বৰ কলিতা, কৌস্তভ দাস, আৰ্হি দাস, কাব্যাঞ্জলি বড়ো, মন্‌হৰে গীত পৰিৱেশন কৰা সভাত থিতাতে লিখা কবিতা, গল্প, বিষয় ভিত্তিক বক্তৃতা, চিত্ৰাংকন, কবিতা আবৃত্তি প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীক বঁটা প্ৰদান কৰা হয়। সদস্য নৱ প্ৰসাদ শৰ্মাই আঁত ধৰা সভাত ১২ জন কৃতি ছাত্ৰ-ছাত্ৰীক

*(দহ পৃষ্ঠাত চাওক)*

# ডিমৰীয়াত আপৰ বান সাহায্য বিতৰণ




ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ ডিমৰীয়া বিধান সভা সমষ্টিত আম আদমী পাৰ্টিৰ একাংশ সক্ৰিয় কৰ্মীয়ে বান সাহায্য বিতৰণ কৰে। ডিমৰীয়াৰ অতিকৈ পিছপৰা জনজাতীয় গাওঁ তপাতলী, কুৰকুৰীয়া আৰু জাৱীকুছিৰ বানপীড়িত চাৰি শতাধিক পৰিয়ালৰ মাজত আপৰ নেতা - কৰ্মী সকলে প্ৰয়োজনীয় খাদ্য সামগ্ৰী বিতৰণ কৰে। দলৰ জ্যেষ্ঠ নেতা প্ৰবীন শৰ্মা আৰু নৃপেন খাখলাৰীৰ নেতৃত্বত বানপীড়িত তথা দৰিদ্ৰ লোকৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰা হয় । আপৰ উদ্যোগত গ্ৰহণ কৰা এই কাৰ্যসূচীৰ বাবে অঞ্চলটোৰ ৰাইজে উদ্যোক্তা সকলৰ শলাগ লয়।

# কৰিমগঞ্জত ভয়ংকৰ পথ দুৰ্ঘটনাঃ থিতাতে মৃত্যু শিশুসহ পাঁচজনৰ

ৰঙিলী বাৰ্ত্তাসেৱা- কৰিমগঞ্জৰ নিলাম বজাৰ এলেকাৰ বেৰাজাল'ত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত শিশুসহ পাঁচজন লোকৰ মৃত্যু হয়। এই দুৰ্ঘটনা গুৰুতৰ আহত হয় কেইবাজনো লোক। অসম-ত্ৰিপুৰা সংযোগী ৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এই দুৰ্ঘটনাটো। এখন অট'ৰিক্সা আৰু এখন হুণ্ডাই ভেনু গাড়ীৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাগ্ৰস্ত অট'ৰিক্সাখনৰ নম্বৰ AS 10BC 2061 আৰু ভেনু গাড়ীখনৰ নম্বৰ AS 11S 8323। আনহাতে এই দুৰ্ঘটনাত আহতসকলক ততাতৈয়াকৈ কৰিমগঞ্জ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিহতসকলৰ ভিতৰত আছে অটো চালক ৰুহুল আলম। ৰুহুলৰ ঘৰ পাথাৰকান্দিৰ চান্দখিৰা এলেকাত। দুৰ্ঘটনা সংঘটিত কৰি দুয়োখন বাহন বাগৰি পৰে পথৰ দাঁতিত থকা পথাৰত। ঘটনাৰ পিছত ক্ষুব্ধ ৰাইজে কিছু সময়ৰ বাবে পথ অৱৰোধ কৰে। ঘটনাস্থলীত নিলামবজাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহকেইটা মৰণোত্তৰ পৰীক্ষাৰ বাবে কৰিমগঞ্জ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে।

# সাউকুছিত গ্ৰীষ্মকালীন কৰ্মশালা

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ সাউকুছিস্থিত "ফেৰেংগাদাউ"ৰ দ্বাৰা আয়োজিত গ্ৰীষ্মকালীন সঙ্গীত শিক্ষাৰ সামৰণি, মৰমলেগুৱৰ গ্ৰন্থমেলা, কবিতা, গল্প পাঠৰ মনোগ্ৰাহী অনুষ্ঠানত কবি গিৰীণ গোপ, পৰ্যবেক্ষক সুচিত্ৰা ৰাভাই অংশ গ্ৰহণ কৰো। মুঠ উনৈশ গৰাকী কবিয়ে কবিতা আৰু ন গৰাকী গল্পকাৰে তেওঁলোকৰ স্বৰচিত কবিতা আৰু গল্প পাঠ কৰে। আন গল্পকাৰ সকলৰ লগতে " জাগৃতি কালচাৰেল ইন্সটিটিউট"ৰ সদস্যা বিৰিণামনি দত্ত, শতৰূপা শৰ্মা



আৰু ইয়াকুব আলীয়ে স্বৰচিত গল্প পাঠ কৰে। কবি শান্তনু শৰ্মা, গুনীন চৌধুৰী, দীনেশ গোস্বামী, ডিম্বেশ্বৰ ৰায়, মৰম কুমাৰ, প্ৰগতিশীল গায়ক দীপক কুমাৰ দত্ত উপস্থিত থাকে। দুগৰাকী কণমানি- পাখিপ্ৰিয়া মহন্ত আৰু কংকনা বৰুৱাৰ কবিতা আবৃত্তিয়ে সকলোৰে অন্তৰ চুই গ'ল। কবিতা ঠাকুৰীয়া, হৃষিকেশ আৰু বিকাশৰ গানে সকলোকে মুগ্ধ কৰে।

# এইবাৰ মেঘালয়ৰ 'ভইচ অৱ দ্য পিপল পাৰ্টি'ৰ সৈতে অসম জাতীয় পৰিষদৰ আলোচনা



ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক দলসমূহক একত্ৰিত কৰাৰ অসম জাতীয় পৰিষদৰ প্ৰচেষ্টাৰ অংশ স্বৰূপে আজি মেঘালয়ৰ আঞ্চলিক দল 'ভইচ অৱ দ্য পিপল পাৰ্টি' (মেঘালয়)ৰ সাংসদ ড° ৰিকি এণ্ড্ৰু জে চিংকনৰ সৈতে গুৱাহাটীত আলোচনা অনুষ্ঠিত কৰে জাতীয় পৰিষদৰ নেতৃত্বই। দলৰ সভাপতি লুৰিণ জ্যোতি গগৈ, সাধাৰণ সম্পাদক জগদীশ ভুঞা আৰু জ্যেষ্ঠ নেতা সকলে অংশগ্ৰহণ কৰা এই বৈঠকত অৰ্থনৈতিক উন্নয়ন, সাংস্কৃতিক আদান-প্ৰদান, সমাজ কল্যাণ আদি বিষয়ত ৰাজ্য দুখনৰ মাজত অধিক সহযোগিতা গঢ়ি তোলাৰ বিষয়ত আলোচনা কৰা হয়। উল্লেখযোগ্য যে ২০২১ চনত জন্ম লোৱা ভইচ অৱ দ্য পিপল পাৰ্টি'য়ে বিগত লোকসভা নিৰ্বাচনত শ্বিলং আসনত প্ৰতিদ্বন্দিতা কৰি দলৰ সাধাৰণ সম্পাদক ড° ৰিকি এণ্ড্ৰু জে চিংকনে মেঘালয়ৰ শাসনাধিষ্ঠ দল এন পি পিক পৰাজিত কৰে। দলটোৱে মেঘালয়ৰ ৩৬ টা বিধান সভা সমষ্টিৰ ভিতৰত ৩২ টাতেই গৰিষ্ঠসংখ্যক ভোট লাভ কৰি শ্বিলং লোকসভা সমষ্টিত জয়লাভ কৰে। অসম জাতীয় পৰিষদে সাংসদ ড° ৰিকি এণ্ড্ৰিঅক সম্বৰ্ধনা জনায় আৰু ভৱিষ্যতলৈ একে লগে কাম কৰাৰ বাবে আমি মত পোষণ কৰে। এই সন্দৰ্ভত আজি অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে কয়, "মেঘালয়ৰ জনসাধাৰণৰ কণ্ঠ হিচাপে নিৰ্বাচিত হোৱা সাংসদ গৰাকীৰ সৈতে আলোচনা আৰম্ভ কৰি আমি ৰোমাঞ্চিত হৈছো। আমাৰ সহযোগিতাই দুয়োখন ৰাজ্যৰ জনসাধাৰণে সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ একেলগে কাম কৰাৰ পৰিৱেশ সৃষ্টি কৰিব।" দলৰ সাধাৰণ সম্পাদক জগদীশ ভুঞাই কয় যে অসম জাতীয় পৰিষদে উত্তৰ পূৰ্বাঞ্চলৰ আঞ্চলিক দলসমূহৰ এখন উমৈহতীয়া মঞ্চ তৈয়াৰ কৰাৰ ক্ষেত্ৰত এই বৈঠক এক যোগাত্মক পদক্ষেপ। দলে এই পদক্ষেপ অব্যাহত ৰাখিব।

# নিচাযুক্ত দ্ৰব্যৰ প্ৰতি যুৱ-প্ৰজন্মৰ আসক্তি আৰু ইয়াৰ প্ৰতিকাৰ

**দ্বীপেন বৰুৱা**

সাম্প্ৰতিক সময়ত নানান লোমহৰ্ষক ঘটনাৰ লগতে বিভিন্ন অসামাজিক কাৰ্যকলাপৰ মাত্ৰা ব্যাপক হাৰত বৃদ্ধি পাবলৈ ধৰিছে। বাতৰিকাকতৰ পৃষ্ঠা আৰু টিভিৰ পৰ্দা নিৰীক্ষণ কৰিলে সততে দেখিবলৈ পোৱা যায় যে চহৰে-নগৰে, গাঁৱে-ভূঞে যেন এশ-এবুৰি সমস্যা তথা অশান্তিয়ে ছানি ধৰিছে। চুৰি-ডকাইতি, হত্যা-লুণ্ঠন, বলাৎকাৰ, অপহৰণ, উগ্ৰবাদ, প্ৰৱঞ্চনা, দুৰ্ঘটনা আদিৰ বাহিৰেও নানা ৰোগ-ব্যাধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰিছে। বিয়া-সবাহ, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, বনভোজস্থলী আদিত সঘনে ঘটি থকা ঘটনাবোৰ সকলোৰে দেখি বা শুনি আহিছে। আনকি গাড়ী, মটৰ, ৰে'ল আদিৰ ভ্ৰমণো ভয় আৰু শংকাৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। এনে অসামাজিক কাৰ্যবোৰ প্ৰতিহত কৰাৰ কাৰণে সামাজিক আৰু কঠোৰ আইনগত শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। চুৰি-ডকাইতিকে ধৰি সমাজত যিমানবোৰ লোমহৰ্ষক ঘটনা, যান-বাহনৰ দুৰ্ঘটনা আৰু বিভিন্ন অসামাজিক কাৰ্যকলাপ সংঘটিত হৈছে, এনে ধৰণৰ অধিকাংশ



ঘটনা নিচাযুক্ত দ্ৰব্যৰ নিয়ন্ত্ৰণ নোহোৱাটোৱেই একমাত্ৰ কাৰণ বুলিব পাৰি।

বৰ্তমান আমাৰ সমাজত বিশেষভাৱে যুৱ-প্ৰজন্মৰ মাজত নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আশ্চৰ্যজনকভাৱে যুৱতীসকলৰ মাজতো নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তি দিনকদিনে বৃদ্ধি পাইছে। ই সমাজৰ বাবে এক ভয়াবহ সংকট বুলিব পাৰি। কিয়নো, যুৱশক্তি হৈছে সমাজ তথা দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় নহ'লে সমাজত শান্তি আৰু প্ৰগতি সম্ভৱ নহয়। নিচাযুক্ত দ্ৰব্য সেৱন কেৱল এজন ব্যক্তিৰ ক্ষতিৰ বিষয় নহয়, এই ভয়াৱহ সমস্যা সমগ্ৰ সামাজিক ব্যৱস্থাটোৰ ব্যাধিস্বৰূপ হৈ পৰে। বিভিন্ন ধৰণৰ মানসিক স্বাস্থ্য সমস্যা নিচাযুক্ত দ্ৰব্যৰ দীৰ্ঘম্যাদী আৰু নিয়মীয়া ব্যৱহাৰ তথা অপব্যৱহাৰৰ সৈতে সম্পৰ্কিত। ইয়াৰ ভিতৰত আছে চাপ-সম্পৰ্কীয় সমস্যা, সমন্বয়ৰ সমস্যা, উদ্বেগ, হতাশা আৰু অত্যধিক ক্ষেত্ৰত মানসিক বিকাৰ। ইয়াৰ বাহিৰেও শৰীৰৰ বিভিন্ন স্থানত হোৱা কৰ্কট ৰোগকে ধৰি বহুতো দুৰাৰোগ্য ৰোগ নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰিণতি বুলিব পাৰি। মনোৰঞ্জনমূলক ব্যৱহাৰ আৰু আমোদজনক কাৰ্যকলাপৰ পৰা যুৱক-যুৱতীসকল ক্ৰমান্বয়ে নিচাযুক্ত নিচাযুক্ত দ্ৰব্যৰ ওপৰত নিৰ্ভৰশীল হয়, যাৰ ফলত অৱশেষত তাৰ অপব্যৱহাৰ হয়।

নিচা প্ৰধানকৈ দুবিধ- এবিধ হৈছে দ্ৰব্য ব্যৱহাৰৰ নিচা য'ত ধঁপাত, আফিম, মদ, গাঞ্জা, ঔষধ আদি অন্তৰ্ভুক্ত আৰু আনবিধ হৈছে আচৰণৰ নিচা য'ত জুৱা, ইণ্টাৰনেট, মোবাইল, খাদ্য আৰু সম্পৰ্ক আদি অন্তৰ্ভুক্ত। নিচাযুক্ত বা ৰাগিয়াল দ্ৰব্যবোৰ সেৱনৰ ফলত ব্যক্তিগত জীৱনৰ লগতে শৰীৰিক, মানসিক ক্ষতি আৰু সামাজিক জীৱনত বহুতো বিশৃংখলতাই দেখা দিয়ে। কিন্তু এই নিচাযুক্ত দ্ৰব্যসমূহ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ পক্ষে কিমান ক্ষতিকাৰক তথা মধ্য বয়সত ই কিমান ধৰণৰ কঠিন ৰোগৰ সৃষ্টি কৰিব পাৰে, সেৱনকাৰীসকলে প্ৰথমতে এইটো উপলব্ধি কৰিব নোৱাৰে। দেখা যায় যে উৎপীড়নৰ বলি হোৱা ছাত্ৰ-ছাত্ৰীসকলে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ কৰে আৰু অধিক বিচ্ছিন্ন হৈ পৰে। ই সূক্ষ্ম পৰিৱৰ্তনৰ সৈতে আৰম্ভ হ'ব পাৰে। কিন্তু সোনকালেই তেওঁলোকৰ সামাজিক, শৈক্ষিক আৰু ব্যক্তিগত জীৱনত এক পাৰ্থক্য আহি পৰে। তেওঁলোকে বিদ্যালয়লৈ যোৱা বন্ধ কৰা আৰম্ভ কৰিব পাৰে, শৈক্ষিক প্ৰদৰ্শনৰ অৱনতি হ'ব পাৰে, মিছা কোৱা আৰু বস্তু লুকুৱাবলৈ আৰম্ভ কৰিব পাৰে আৰু আন ধৰণৰ অনিয়মীয়া আচৰণ প্ৰদৰ্শন কৰিব পাৰে।

সচৰাচৰ প্ৰচলিত নিচাযুক্ত দ্ৰব্যসমূহৰ ভিতৰত মদ এবিধ স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক দ্ৰব্য। অকল শাৰীৰিকেই নহয়, মানসিক স্বাস্থ্যৰ বাবেও ই পৰিপন্থী। মদ পান কৰিলে সুস্থ মগজুৰ স্নায়ুতন্ত্ৰত ব্যাঘাত জন্মায় আৰু ইয়াৰ মাত্ৰা অধিক হ'লে বিবেক আৰু হিতাহিত জ্ঞানশূন্য হয়। এইবিধ দ্ৰব্য দীৰ্ঘদিন সেৱনৰ ফলত স্মৃতিশক্তি, দৃষ্টিশক্তি, ধাৰণাশক্তি ক্ষীণ হোৱাৰ উপৰিও হাওঁফাওঁ, হৃদযন্ত্ৰ, স্নায়ুদুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধি ৰোগৰ সৃষ্টি কৰে। পাকস্থলী, প্লিহা, যকৃত, অন্ত্ৰ আদিত হোৱা কৰ্কট ৰোগ আৰু যকৃতত হোৱা 'লিভাৰ ছিৰ'ছিছ'

*(বাৰপৃষ্ঠাত চাওক)*

---

## পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ জন্মদিন উপলক্ষে...

**জ্যোতি খাটনিয়াৰ**

# পাৰ্থিৱ খ্যাতি কেৱল বতাহৰ

**যোৰাখণ্ডৰ পৰা.....**



উল্লেখ্য যে অক্সফোৰ্ডত থাকোঁতে বিখ্যাত বডেলিয়ান লাইব্ৰেৰীৰ গ্ৰন্থ সংগ্ৰহৰ সহায় লৈ সন্দিকৈয়ে 'অনুবাদৰ কথা' নামৰ এটা বিখ্যাত প্ৰবন্ধ লিখে (চেতনা, ১৯২১)। ইয়াত তেওঁ অনুবাদৰ দৰ্শন আৰু সমস্যা সম্পৰ্কত বহু কথা উল্লেখ কৰে। ইয়াত তেওঁ দুই ধৰণৰ অনুবাদৰ কথা কয়। এটা হ'ল অনুবাদ ইমান অবিকল আৰু সুন্দৰ যে সি মূলৰ ঠাই পূৰাব পাৰে। দ্বিতীয়বিধ অনুবাদে মূলৰ ঠাই পূৰাবলৈ আশা নকৰে, কেৱল তাৰ অৰ্থ হৃদয়ঙ্গম কৰাত আমাক সহায় কৰে। কবি ড্ৰাইডেনে ইয়াক paraphrase বুলিছে। জাৰ্মান সমালোচক কাৰাৰে আকৌ এই অনুবাদক বৰ ওখ খাপত ৰখা নাই। তেওঁ ইয়াক কেৱল অৰ্থকৰণ বুলি কৈছে। জাৰ্মান সমালোচক জনাৰ দৃষ্টিত ই প্ৰকৃত অনুবাদতকৈ তল খাপৰ। অনুবাদৰ উপযোগীতা আৰু পৰিসৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত সন্দিকৈয়ে মহান কবি গ্যেথেৰ পৰামৰ্শ গ্ৰহণ কৰিছে। সন্দিকৈয়ে ইউৰোপীয় ভাষাৰ পৰা ভাৰতীয় ভাষালৈ অনুবাদ কৰাৰ জটিলতা সম্পৰ্কেও উল্লেখ কৰিছে। কাৰ্যতঃ সন্দিকৈৰ এই ৰচনাখন সমগ্ৰ বিশ্ব সাহিত্যৰ অনুবাদ প্ৰক্ৰিয়া, দৰ্শন আৰু কিছু পৰিমাণে ইয়াৰ সমীক্ষাত্মক অধ্যয়নৰ প্ৰসংগৰে এক বিস্তৃত আলোচনাৰ ক্ষেত্ৰ। আনকি জাপানী সাহিত্য, চীনা সাহিত্য, হাংগেৰী, ছাৰ্বিয়া আদিৰ সাহিত্যত অনুবাদৰ গুৰুত্বৰ কথাও সন্দিকৈয়ে ডাঙি ধৰিছে। চীনা পৰিব্ৰাজক হুয়েন- চাঙে ভাৰতৰ পৰা লৈ যোৱা গ্ৰন্থসমূহৰ ১৯ বছৰ ধৰি চীনা ভাষালৈ অনুবাদ কৰাৰ বিষয়টোৱে সন্দিকৈৰ এই ৰচনাত ঠাই পাইছে।

প্ৰাচীন সংস্কৃতৰ গভীৰ জ্ঞান আৰু আধুনিক বুৰঞ্জী অধ্যয়নৰ পদ্ধতিয়ে সন্দিকৈৰ আলোচনাসমূহক এক দৃঢ়তা প্ৰদান কৰিছিল। এটা প্ৰসংগত পণ্ডিতপ্ৰবৰ সন্দিকৈয়ে ১৮৭২ চনৰ ২৯ মে'ত কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ চীনেট হাউচত অধ্যাপক এডৱাৰ্ড আগাষ্টাচ ফ্ৰীমেনে প্ৰদান কৰা ৰীড লেকচাৰৰ উল্লেখ কৰিছে। 'ইউনিটি অৱ হিষ্টৰি' শীৰ্ষক এই বক্তৃতাত অধ্যাপক ফ্ৰীমেনে কৈছে যে প্ৰাচীন ইতিহাস বা আধুনিক ইতিহাস বুলি কোনো বস্তু নাই। জ্ঞান চৰ্চাই এক অখণ্ড নিৰ্মিতি আৰু অভিজ্ঞতাৰ মাজলৈ মানুহক লৈ যায়। যোৰহাটৰ ঘৰত বহি কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ পৰম্পৰাগত ভাৰতীয় শিক্ষা পদ্ধতি আৰু অক্সফোৰ্ড, বাৰ্লিন, পেৰিছৰ আধুনিক জ্ঞান চৰ্চাৰ পদ্ধতিৰেই সন্দিকৈয়ে গঢ়ি তুলিছিল এখন নিজৰ জগত। অতীজৰ ভাৰতৰ সমাজ, সংস্কৃতি, ৰাজনীতি আৰু শিল্পকলাৰ অভিজ্ঞ তাক যোৰহাটৰ পঢ়া কোঠালীৰ মেজত তেওঁ পুনৰ সজাই তুলিছিল আধুনিক পৃথিৱীৰ পঢ়ুৱৈৰ বাবে। তেওঁ মন আছিল প্ৰাচীন ঋষিৰ দৰে - অহংকাৰ শূণ্য আৰু উল্লাসেৰে ভৰা। সেইবাবে মহাকবি ডান্তেৰ এটা উক্তি সন্দিকৈৰ আছিল বিশেষভাৱে প্ৰিয়ঃ "পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসতকৈ বেছি একো নহয়।" প্ৰাচীন গ্ৰীক সাহিত্যত অহৰহ বুৰ গৈ থকা মানুহজনে জ্ঞান চৰ্চাক জীৱন - যাপনৰ প্ৰধান উৎস ৰূপে বিচাৰি লৈছিল। সেইবাবে জ্ঞানক নৈতিকতাৰ সৈতে সংলগ্ন কৰা গ্ৰীক নাট্যকাৰ ছফক্লীচৰ এযাৰ বচন তেওঁৰ সদায় মনত পৰি থাকে বুলি জীৱনী লেখক আব্দুছ ছাত্তাৰক কৈছিলঃ "জ্ঞানতকৈ ন্যায়পৰায়ণতা উৎকৃষ্টতৰ।" ৰাডল্ফ ফেইফাৰে (১৮৮৯-১৯৭৯) প্ৰাচীন পৃথিৱীৰ গ্ৰন্থসমূহৰ অধ্যয়নৰ সৈতে জড়িত ভাষাতত্ত্ববিদসকলৰ প্ৰথম দায়িত্বটো এই সমূহ সম্পাদনা কৰা আৰু দ্বিতীয় আৰু আটাইতকৈ গধুৰ দায়িত্বটো এইসমূহৰ ব্যাখ্যা কৰা বুলি কৈ গৈছে। বহু ক্ষেত্ৰত এই দিশ দুটাই পশ্চিমীয়া সংস্কৃতিৰ পৰিসৰ আৰু গতি - প্ৰগতি নিৰ্ধাৰণ কৰি দিয়ে বুলিও ফেইফাৰে কৈছে। সন্দিকৈয়ে এই কামটোকে প্ৰাচ্য সাহিত্যৰ তিনিখন বিখ্যাত গ্ৰন্থৰ ক্ষেত্ৰত সুকলমে সম্পাদন কৰিছে। ফলত, ভাষা চৰ্চা আৰু বিভিন্ন প্ৰাচীন জটিল গ্ৰন্থৰ অধ্যয়নৰ সৈতে তেওঁৰ এক আৱেগিক সম্পৰ্ক স্থাপন হৈছিল। সাম্প্ৰতিক কালৰ বিভিন্ন ৰাজনৈতিক ঘটনা প্ৰবাহ আৰু গণতান্ত্ৰিক প্ৰমূল্যসমূহৰ অধোগতিৰ দিনত আদৰ্শ তথা আদৰ্শৰ প্ৰতি দায়বদ্ধতাক কৃষ্ণকান্ত সন্দিকৈৰ সৰল কিন্তু দৃঢ় জীৱনবোধৰ মাজত বিচাৰি পাব পাৰি।

# মানৱীয় প্ৰমূল্যবোধৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰা এটা হোৱাট্‌চএপ গ্ৰুপ

**মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি**

ক'ভিড কালৰ কথা। মোৰ এগৰাকী প্ৰিয় সাহিত্যিকে গুৱাহাটীৰ পৰা ফোন কৰি ক'লে- "মুনিন, তোমাৰ হোৱাট্‌চএপত ল'ৰা এজনৰ নাম আৰু ফটো পঠিয়াইছোঁ। তেওঁৰ ঘৰ তোমালোকৰ ফালেই, ওদালগুৰিত। কালি তেওঁৰ মৃত্যু হৈছে; এই বিষয়ে তুমি কি খবৰ সংগ্ৰহ কৰিব পৰা সোনকালে চোৱাচোন।" হোৱাট্‌চএপত ল'ৰাজনৰ ফটো দেখি বুকুখন মোচৰ খাই গ'ল। এজন থুলন্তৰ যুৱক, অত্যন্ত মৰমলগা। তেওঁৰ বিষয়ে খবৰ সংগ্ৰহ কৰি ছাৰক জনালোঁ।



ল'ৰাজনক কেনেকৈ চিনি পায় তেওঁক সুধিলোঁ। ছাৰে ক'লে, "তেওঁ আমাৰ হোষ্টেলতে আছিল।" মই আচৰিত হৈ ক'লোঁ, "ছাৰ তেওঁৰ আৰু আপোনাৰ মাজত বয়সৰ ব্যৱধান প্ৰায় দুকুৰী বছৰ। অথচ আপোনালোক একে হোষ্টেলৰে আবাসী আছিল, কথাটো নুবুজিলোঁ।" তাৰ পিছত ছাৰে যিখিনি কথা ক'লে, শুনি মই কেৱল তবধ আৰু বিস্ময় মানিলোঁ। কথাখিনি পাঠকৰ আগত প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰিলোঁ।

গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ছাত্ৰাবাস সমূহৰ অন্যতম এটা হৈছে 'AT4'। সম্পূৰ্ণ নাম Assam Type 4, (অসম আৰ্হিৰ ৪ নম্বৰ ছাত্ৰাবাস)। যি পিছলৈ 'লক্ষ্মীনাথ বেজবৰুৱা অসম আৰ্হি ৪ নম্বৰ ছাত্ৰাবাস' নামেৰে নামকৰণ হয়। বিশ্ববিদ্যালয়ত AT4 ছাত্ৰাবাসৰ এটা গৰিমা আছে, আছে এটা সুকীয়া পৰম্পৰা আৰু বৈশিষ্ট্য। বিশেষকৈ সেইটো ছাত্ৰাবাসত কেতিয়াও ৰেগিং নহয়। বিশিষ্ট কবি-সাহিত্যিক প্ৰয়াত বিৰিঞ্চি কুমাৰ মেধি, কবি কৌস্তভমণি শইকীয়া, প্ৰাক্তন আয়ুক্ত চিত্তৰঞ্জন কলিতা, সাহিত্যিক পৰাগ কুমাৰ ভট্টাচাৰ্য, প্ৰাক্তন ভাৰতীয় প্ৰশাসনিক বিষয়া চি কে ভূঞা, মন্ত্ৰী অতুল বৰা, অভিনেতা পবিত্ৰ ৰাভা, আৰক্ষী অধীক্ষকদ্বয় স্বপ্নীল ডেকা আৰু সুৰজিৎ সিং পানেচাৰ, লেখক-নাট্যকাৰ সীমান্ত কুসুম শৰ্মা আদি এই ছাত্ৰাবাসৰ কিমানগৰাকী প্ৰাক্তন আবাসীয়ে বিভিন্ন ক্ষেত্ৰত হোষ্টেল আৰু বিশ্ববিদ্যালয়ৰ নাম জিলিকাই অসমী আইক ধন্য কৰিছে তাৰ হিচাব দিয়া টান। গ্ৰুপটোৰ জেষ্ঠতম সদস্য হ'ল ডঃ পদ্মপাণি, যাক সকলোৱে ধৰককাইদেউ' বুলি সম্বোধন কৰে।

সাধাৰণতে দেখা যায়, কলেজ বা বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসত থকা সময়খিনিত আবাসীসকলৰ মাজত সুন্দৰ বুজাবুজি, নিভাঁজ আন্তৰিকতা আৰু শক্তিশালী একতা গঢ়ি উঠে। কিন্তু ছাত্ৰাবাস এৰাৰ পিছত লাহে লাহে সেই সম্পৰ্কবোৰৰ ব্যৱধান বাঢ়ি যায় আৰু এটা সময়ত নিঃচিহ্ন হৈ পৰে। অৱশ্যে ইণ্টাৰনেটৰ অনুগ্ৰহত অলপ কষ্টৰ জোৰতেই সেই পুৰণি সম্পৰ্কবোৰ আকৌ জোৰা লগাব পৰা পৰিৱেশৰ সৃষ্টি হৈছে। ইচ্ছা কৰিলেই হোৱাট্‌চএপ, ফে'চবুক, এক্স হেণ্ডেল, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমৰ যোগেদি হেৰুৱা বন্ধু-বান্ধৱক বিচাৰি উলিয়াব পাৰি। তাৰ পিছতো কিমান সংখ্যকে বিচাৰ-খোচাৰ কৰি হেৰাই যোৱা সম্পৰ্কবোৰ যোৰা লগায় বা আগ্ৰহ প্ৰকাশ কৰে কোৱা টান। তাৰ মাজতে অৱশ্যে 'ন-পুৰণি সতীৰ্থ মিলন' জাতীয় কিছুমান কাৰ্যসূচী অনুষ্ঠিত কৰি অলপ ফূৰ্তি-তামছা কৰা দেখা যায়। সেই উদ্দেশ্যে একোটা হোৱাট্‌চএপ গ্ৰুপ খোলে; কিন্তু বহু ক্ষেত্ৰতেই দেখা যায় কাৰ্যসূচীও শেষ গ্ৰুপৰ আয়ুসো সিমানতেই শেষ। তাৰ বিপৰীতে AT4 ছাত্ৰাবাসৰ প্ৰাক্তন আৰু বৰ্তমানৰ আবাসীসকলে দেখুৱাইছে নিভাঁজ মানৱীয় প্ৰমূল্যবোধৰ উত্তম নিদৰ্শন। সমাজলৈ প্ৰেৰণ কৰিছে এটা শক্তিশালী যোগাত্মক বাৰ্তা; যিয়ে আমাক কথাবোৰ অন্য ধৰণে ভবাৰ বাট মুকলি কৰি দিছে।

AT4 ছাত্ৰাবাস আৰম্ভ হৈছিল ১৯৬১ চনত। তথ্য অনুসৰি ১৯৬১-৬৩ বৰ্ষৰ একমাত্ৰ আবাসীজন আছিল প্ৰয়াত মহেন্দ্ৰ নাথ তালুকদাৰ। তেতিয়াৰ পৰা বৰ্তমানলৈকে মুঠ আবাসীৰ সংখ্যা হ'ব প্ৰায় ছশ। কেইগৰাকীমান দূৰদৰ্শী প্ৰাক্তন আবাসীৰ স'তে আলোচনা কৰি ২০১৫-১৭ বৰ্ষৰ আবাসী অলকেশ শৰ্মাই ২০১৬ চনৰ ২৫ নৱেম্বৰ তাৰিখে এটা হোৱাট্‌চএপ গ্ৰুপ খুলিলে; নাম দিলে 'AT4 Boys' Hall, G.U.'। তাৰ পিছত প্ৰাক্তন আবাসীক গ্ৰুপত অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। বহু সংখ্যক প্ৰাক্তন আবাসী বৰ্তমান ইহ সংসাৰত নাই, বহুতে স্মাৰ্ট ফোন ব্যৱহাৰ নকৰে আৰু তথ্যপাতিৰ অভাৱত বহুতৰ লগত এতিয়াও যোগাযোগ স্থাপন কৰিব পৰা নাই। তথাপিতো গ্ৰুপটোৰ সদস্যৰ সংখ্যা হ'লগৈ ২৭০ জন। এই বৃহৎ সংখ্যক সদস্যক এই হোৱাট্‌চএপ গ্ৰুপটোৱে বিগত আঠ বছৰ ধৰি অপত্য মৰম-চেনেহে আৰু আন্তৰিকতাৰ শক্তিশালী ডোলেৰে নিকপকপিয়াকৈ বান্ধি ৰাখিছে এটা পৰিয়ালৰ দৰে। গ্ৰুপটোৰ প্ৰধান বিশেষত্ব হৈছে প্ৰাক্তন বা জ্যেষ্ঠ আবাসীসকলে চৰকাৰী অথবা বেচৰকাৰী খণ্ডৰ যিমান উচ্চ পদতেই কাৰ্যনিৰ্বাহ নকৰক কিয়, কনিষ্ঠসকলে কেতিয়াও তেওঁলোকক 'ছাৰ' সম্বোধন কৰিব নালাগে; 'দাদা' বা 'ককাইদেউ' বুলিয়েই মাতিব লাগিব। প্ৰিয় পাঠক, আপুনি হয়তো শুনিবলৈ উৎকৰ্ণ হৈ আছে এই গ্ৰুপটোৱে কি কাম কাম কৰে। তেনেহ'লে শুনক—

ধৰি ল'লোঁ আপোনাৰ ঘৰ যোৰহাটত। আপুনি ফুৰিবলৈ বুলি আহিল কোকৰাঝাৰলৈ। আহি থাকোঁতে যেনিবা ওদালগুৰিত আপুনি এটা সমস্যা বা বিপদৰ সন্মুখীন হ'ল। তাত নাই আপোনাৰ কোনো চিনাকি বা আপোন মানুহ। এতিয়া আপুনি কি কৰিব? যদিহে আপুনি এই হোৱাট্‌চএপ গ্ৰুপটোৰ সদস্য, তেন্তে আপুনি নিচিন্ত থাকক। মাত্ৰ আপোনাৰ সমস্যা আৰু ঠাইখিনিৰ নাম উল্লেখ কৰি গ্ৰুপটোত এটা মেছেজ দিয়ক। গ্ৰুপটোৰ সদস্যসকল লগে লগে ব্যস্ত হৈ পৰিব আপোনাক সহায় কৰিবলৈ। এই কথা নিঃশ্চিত যে বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ কোনোবা নহয় কোনোবা আপোনাৰ ওচৰত উপস্থিত হ'বই হ'ব। লাগিলে তেওঁ গ্ৰুপৰ সদস্যই হওক, কিম্বা কোনোবা দূৰ সম্পৰ্কীয় আত্মীয় অথবা বন্ধু-বান্ধৱেই নহওক কিয়। যিদৰে ছাৰে ফোন কৰি মোক খবৰ ল'বলৈ পঠিয়াই দিছিল।

তেতিয়া লক্ ডাউন আৰম্ভ হৈছে। জাপান নিবাসী AT4-ৰ প্ৰাক্তন আবাসী এজন আহিছিল ঘৰলৈ। সাত সাগৰ তেৰ নৈ পাৰ হৈ অসম পালেহি ঠিকেই, কিন্তু অশেষ চেষ্টা কৰিও ধুবুৰীৰ পৰা তেওঁ গুৱাহাটীলৈ অহাৰ কোনো ব্যৱস্থা কৰিব নোৱাৰিলে। তেওঁ বুজি পালে যে শেষ আশ্ৰয় হৈছে 'AT4 Boys' Hall, G. U.'। গ্ৰুপত তেওঁ সন্মুখীন হোৱা

(নপৃষ্ঠাত চাওক)

## লিমাৰিক



**সীতা দেৱী সিংহ,বঙাইগাঁও**

১
কল্পনা বাইদেউৰ গালি মিঠা মিঠা
খাব নোৱাৰে ফটোতে চেলেকিছে পিঠা
হাঁহি হাঁহি দিয়ে গালি
ঐ কিয় অকলে খালি?
বাইদেউৰ দেখোঁন নুগুচেই লেঠা।

২
ছোৱালী হৈ জন্ম লৈছোঁয়ে যেতিয়া মই
ৰান্ধি খামেই, জিভা চেলেকি থাক তই
খাব'লৈ নাপালে বুলি
দিছে চাচোন অ' গালি
হাৰ্ট কিয় দিলি লাগি গ'ল মোৰ ভয়।

৩
ঐ তৰা তোকো মজ্জা এটা দিম বাপেকে
নিজে নাখাৰ বুলি নোজোকাবি চৰকে
ৰান্ধি থাকিম সদায়ে
খাই ভাল পাই জীয়ে
আপী হৈ জন্ম, ৰান্ধিব নাজান আঞ্জাকে।



**জয়া শৰ্মা, ডিব্ৰুগড়**

১
লিমাৰিক লিখাটো যে সহজ নহয়
সংখ্যা মিলাওতে আউল লাগি যায়
নানা কথা আছে মোৰ
লিখিলে লাগে জগৰ
ভাবি চিন্তি থাকোতে মাথা ঘূৰাই যায়।

২
এমাহ ধৰি মূষলধাৰ বৰষুণ
বানপানীত মানুহে হেৰুৱালে প্ৰাণ
বস্তুৰ যে চৰা দাম
আমিবোৰে কিনো খাম
গুৱাহাটীত শিশুৱে হেৰুৱালে প্ৰাণ।

অসম চৰকাৰ

অমৃত বৃক্ষ আন্দোলন
বৃক্ষ অৰ্থনীতি সম্প্ৰসাৰণ
অসম চৰকাৰৰ এক পদক্ষেপ

অসমৰ ৰাইজৰ দ্বাৰা
বাণিজ্যিকভাৱে উপযোগী
৩কোটি
গছপুলি ৰোপণ
১-১৫ আগষ্ট ২০২৪



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

aba.assam.gov.in অথবা
Amrit Brikshya Andolan ত
নিজৰ নাম পঞ্জীয়ন কৰক

JANASANYOG- 755/24/28-July-24

## এই ঐতিহাসিক পদক্ষেপত অংশগ্ৰহণ কৰক



### অমৃত বৃক্ষ আন্দোলন ২০২৩ৰ সফলতা

অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে ২০২৩ চনৰ ৮ জুনত আৰম্ভ কৰা অমৃত বৃক্ষ আন্দোলনৰ প্ৰথম সংস্কৰণটোৱে ব্যাপক সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। এই সময়ছোৱাত ১.১২ কোটিৰো অধিক বাণিজ্যিকভাৱে উপযোগী গছপুলি ৰোপণ কৰা হৈছিল আৰু ইয়াৰে ৯০ শতাংশৰো অধিক গছপুলি জীৱিত অৱস্থাত আছে।

### অমৃত বৃক্ষ আন্দোলন ২০২৪ৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহঃ

- হিতাধিকাৰীসকলৰ ভিতৰত আছে আত্মসহায়ক গোট, আশা কৰ্মী, অংগনৱাড়ী কৰ্মী, শিক্ষানুষ্ঠানৰ কৰ্মচাৰী, প্ৰতিৰক্ষা/অৰ্ধ সামৰিক বাহিনী, গাঁওৰক্ষী বাহিনীকে ধৰি আৰক্ষী বাহিনীৰ লোক, চাহ বাগিচা শ্ৰমিক/কৰ্মচাৰী, কৃষক, এফ পি অ', এফ পি চি, বেচৰকাৰী সংস্থাৰ কৰ্মচাৰী, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশ সচেতন নাগৰিক
- চলিত জুলাই মাহৰ ৩০ তাৰিখৰ পৰা ১২ আগষ্ট ২০২৪লৈকে গছপুলিসমূহ বিতৰণ কেন্দ্ৰত পোৱা যাব
- aba.assam.gov.in ত অতি সোনকালে নতুন পঞ্জীয়ন/পঞ্জীয়ন নৱীকৰণ মুকলি কৰা হ'ব
- অমৃত বৃক্ষ আন্দোলন ২০২৩ৰ বাবে পঞ্জীয়ন কৰা সকলো ব্যক্তি আৰু সংগঠনে তেওঁলোকৰ পঞ্জীয়ন নৱীকৰণ কৰিব পাৰিব
- ২০২৪ চনৰ ১ আগষ্টৰ পৰা ১৫ আগষ্টলৈ aba.assam.gov.in বা Amrit Brikshya Andolan ম'বাইল এপত গছপুলি ৰোপণৰ ফটো আপলোড কৰিব লাগিব
- হিতাধিকাৰীসকলে গছপুলি ৰোপণৰ আলোকচিত্ৰ আপলোড কৰিবলৈ জিলাৰ নিৰ্দিষ্ট ম'বাইল এপ ২৫ জুলাই ২০২৪ৰ পৰা ডাউনলোড কৰিব পাৰিব
- নতুন পঞ্জীয়ন/পঞ্জীয়ন নৱীকৰণ অহা ৩১ জুলাই ২০২৪লৈকে খোলা থাকিব



## পৰিৱেশ সুৰক্ষিত কৰাৰ বাবে অসম চৰকাৰৰ বন বিভাগৰ এক বিনম্ৰ পদক্ষেপ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# এজাৰবুলীয়া বেজাৰৰ খেলা

**যুগান্ত দাস**
**ভৱানীপুৰ, বৰপেটা**



এই যে আমাৰ মনটো ই এটা বৰ বিচিত্ৰ বস্তু । কেতিয়া কোন ফালে গতি কৰে টলকিবই নোৱাৰি। সৰু সৰু অজস্ৰ সুৰুঙা আছে যি সুৰুঙাৰ কোনোৰা এটাৰে হঠাৎ বনৰীয়া বতাহ এজাক সোমাই বছৰ বছৰ ধৰি দমাই ৰখা আশা, আকাংক্ষাক মুহূৰ্ততে জগাই তোলে। বাৰে বাৰে পাহৰি থাকোঁ বোলা কথাটোক প্ৰতি মুহূৰ্ততে সোঁৱৰাই দিয়ে। আমাৰ এই মনটো দেওলগা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব । স্বামী, কন্যাৰে ভৰপূৰ সংসাৰ এখন থকাৰ পিছতো, সুখী বুলি ভবাৰ পিছতো, পূৰ্ণতা আৰু প্ৰাপ্তিৰ উচ্চ শিখৰত আৰোহণ কৰাৰ পিছতো হঠাৎ যে ক'ৰ পৰা শূন্যতাৰ ভাব সোমাই আহি মনত বহি লৈ নুঠা হয় ধৰিবই নোৱাৰি।

আজি দুদিনমানৰ পৰা নীলাঞ্জনাই বৰ অস্থিৰতাৰে সময়বোৰ পাৰ কৰিছে । তাই কোনোদিনেই কল্পনা কৰা নাছিল এনেকুৱা হ'ব বুলি। অস্থিৰতা কি বস্তু বুজি নোপোৱা নীলাঞ্জনাজনীয়ে আজি মৰ্মে মৰ্মে অনুভৱ কৰিছে অস্থিৰতাৰ দংশন যিয়ে মনত হাজাৰ প্ৰশ্নৰ সৃষ্টি কৰি তাইক অশান্ত কৰি তুলিছে। বাৰে বাৰে তাই নিজক পতিয়ন নিয়াব খোজে তাই সুখী। তাইৰ জীৱনত ক'তো তিলমাত্ৰও অতৃপ্তি আৰু অপ্ৰাপ্তি নাই। নাই, তাই যিমানেই চেষ্টা নকৰক কিয় সফল কিন্তু হ'ব পৰা নাই। মনৰ ভিতৰলৈ তাই জুমি চায় সচাঁই বাৰু তাইৰ ভিতৰত ক'ৰবাত শূন্যতাই সাতামপুৰুষীয়া আৰামী চকীখনত ঠেং তুলি বহি আছে নেকি ?

কথাবোৰ তাই যিমানে ভাবিব ধৰে সিমানেই অস্থিৰতা বাঢ়ি যায়। এনেকুৱা পৰিস্থিতি তাই আগতে কেতিয়াও পৰা নাছিল। তাইৰ বাৰু নিজৰ ওপৰতে বিশ্বাস নোহোৱা হৈ আহিছে নেকি ? কি নাই তাইৰ, সকলোৰেইতো আছে। যদি সকলো আছেই তেনেহ'লে অতৃপ্তি, অপ্ৰাপ্তি, শূন্যতা আদি শব্দবোৰৰ লগত তাইৰ সম্পৰ্কই বা ক'ত ? তাই বাৰু সচাঁকৈয়ে অতৃপ্তিত ভুগিছে নেকি, অপ্ৰাপ্তি-! তাইৰ মনৰ ভিতৰত শূন্যতাৰ অৱস্থিতি আছে নেকি? "উফ ভগৱান"- তাই নিজকে নিজে কৈ উঠে । কি হৈছে বাৰু তাইৰ, কিয় তাই এটা স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই? কিয় তাই সুখী বুলি নিজক সৰ্বোতো প্ৰকাৰে পতিয়ন নিয়াব পৰা নাই ? অথচ দুদিন আগলৈকে তাই নিজকে সুখী বুলিয়েতো ভাবি আহিছিল। তেনেহ'লে আজি কি হ'ল তাইৰ, কিয় নিজক পতিয়ন নিয়াব পৰা নাই । তাইৰ এনে লাগিছে যেন প্ৰচণ্ড মূৰৰ বিষত মূৰটো ফাটি চিৰাচিৰ হৈ যাব ।

স্বামী আৰু দুটা সন্তানেৰে সমৃদ্ধ তাইৰ সংসাৰ । দিনটো লৰা ঢপৰাৰ মাজেৰে পাৰ হৈ যায় । ৰাতিপুৱা পাঁচ বজাতে বিচনাৰ পৰা উঠি কামত ধৰে। স্বামীক অফিচলৈ আৰু সন্তান দুটিক স্কুললৈ পঠায় কাণে নাকে ভাত কেইটামান গুজি তাইও স্কুললৈ দৌৰে। ঘৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ নিলগত তাই কাম কৰা স্কুলখন। এগৰাকী ভাল শিক্ষয়ত্ৰী বুলি তাইৰ এটা নাম আছে। স্কুল, ঘৰৰ কাম, সন্তান আৰু স্বামীৰ আলপৈচান ধৰোঁতেই কেতিয়ানো সময়বোৰ পাৰ হৈ যায় তাই গমকে নাপায়। তাৰ মাজতে যি অলপ সময় ওলাই সেইখিনি সময়ত তাই নিজকে সাহিত্যচৰ্চাত ব্যস্ত ৰাখে। গতিকে নিজৰ বিষয়ে কিবা ভবাৰ তাই অৱকাশেই নাপায়। কি প্ৰাপ্তি, কি অপ্ৰাপ্তি তাই পৰিচয় হোৱাৰ সুযোগেই নাপায়? নিজক জানিবলৈ হ'লে নিজৰ স'তে সময় কটাব লাগিব। ব্যস্ততাৰে ভৰা জীৱনত নীলাঞ্জনাৰ বাবে সেই সময়খিনিৰে অভাব। যি সময়ে তাইক তাইৰ স'তে পৰিচয় কৰাই দিব পাৰে। নিজৰ মনৰ স'তে একান্তই গোপন বাৰ্তালাপত নিমগ্ন হ'ব পাৰে ।

সাধাৰণ কথা এটাই এদিন এনেকৈ নীলাঞ্জনাক জোকাৰি যাব বুলি সপোনতো ভবা নাছিল তাই । পঞ্চাশটা বসন্ত গৰকা নীলাঞ্জনাই আজি সময়বোৰ অস্থিৰতাৰে পাৰ কৰিছে। এদিন তাই নিজৰ মনে বিচৰা মানুহজনৰ স'তে যুগ্ম জীৱনৰ পাতনি মেলিছিল। গিৰিয়েকে প্ৰতি মুহূৰ্ততে তাইক মৰমেৰে আবৰি ৰাখে। সময় আগবাঢ়ি যোৱাৰ লগে লগে নীলাঞ্জনা দুটি সন্তানৰ মাক হৈ এক নতুন পৰিচয়ৰ অধিকাৰিণী হৈ পৰিছিল। ব্যস্ততা বাঢ়ি গৈছিল। গিৰিয়েকো তাইক লৈ অত্যন্ত সুখী যেনেই তাই অনুভৱ কৰিছিল। তাইৰ প্ৰতিটো কামতে গিৰিয়েকে সঁহাৰি জনাই তাইক উৎসাহিত কৰে। সাহিত্যচৰ্চাতো গিৰিয়েকে তাইক উৎসাহ দিয়ে। সামগ্ৰিক দৃষ্টিৰে ক'বলৈ গ'লে নীলাঞ্জনা বহুত সুখী আছিল। হঠাৎ তাইৰ মনক চুই যোৱা এজাক বতাহে তাইৰ মনটোত খেলি মেলি লগাই দিলে। এটাৰ পিছত এটা সিদ্ধান্তত উপনীত হৈছে নিজক পতিয়ন নিয়াবলৈ, কিন্তু বাৰে বাৰে ব্যৰ্থ হৈছে । তাইৰ মনৰ মাজত তীব্ৰ জোকাৰণি অনুভূত হৈছে । কিয় তাই আজি স্থিতপ্ৰজ্ঞ হৈ থাকিব পৰা নাই ।

নীলাঞ্জনাৰ নিজকে অচিনাকি অচিনাকি ভাব হ'ব ধৰিলে। ক'ৰ পৰা কি ভাববোৰ যে তাইৰ মনলৈ আহে। নিজৰ ওপৰতে প্ৰচণ্ড খং উঠিছিল তাইৰ। কেইদিননো হৈছে মানুহ জনৰ সৈতে চিনাকি হোৱা? তেনে মানুহ এজনৰ কথাই বাৰু তাইক এনেকৈ অস্থিৰ কৰি তুলিব লাগে নে ? মানুহজনৰ কথাবোৰে বাৰু তাইৰ মনৰ ভিতৰত আত্মগোপন কৰি থকা তাইজনীক জগাই দিলে নেকি ?

মানুহজনে তাইক সুধিছিল - আপুনি সুখী নে ?

তাই টপৰাই উত্তৰ দিছিল -- অ' । এয়াই আৰম্ভণি । তাৰ পিছত মানুহজনে সুধি গৈছিল আৰু তাই উত্তৰ দি গৈছিল ।

- আপুনি সম্পূৰ্ণ সুখী নহয় ।
- আপুনি কেনেকৈ জানিলে ।
- আপোনাৰ চকুজুৰিয়ে কয় আপুনি কিছু পৰিমানে হ'লেও অতৃপ্তি আৰু অপ্ৰাপ্তি ভুগি আছে।
- কোনো মানুহেই সম্পূৰ্ণ সুখী নহয় ।
- তাৰমানে আপুনি ক'ব খোজে আপুনিও শূন্যতাৰ স'তে পৰিচিত।
- আজিলৈকে তেনেকৈ ভবা নাই।
- এতিয়া ভাবক ।
- কি ভাবিম ?
- আপোনাৰ জীৱনত শূণ্যতাৰ স্থান আছে নে নাই সেইটো ভাবক।
- কোনো মানুহেই নিজে বিচৰা ধৰণে পূৰ্ণ নহয়। শূন্যতা থাকিবই।
- আপোনাৰ আছে নে নাই সেইটো কওক।
- আছে। আপুনি মোৰ ইন্টাৰভিউ লৈছে নেকি?
- নাই লোৱা। কিয় সুধিলে?
- বাৰু সোধক আৰু কি সুধিব লগা আছে।
- আপুনি শূন্যতাৰ স'তে সহবাস কৰে।
- হ'ব পাৰে।
- হ'ব পাৰে নহয়, হয়েই।
- উপায় নাই।
- জীৱনত বিচৰাখিনি পাবলৈ হ'লে সুৰুঙাৰে বাট বুলিব লাগিব।
- অসম্ভৱ।
- সকলো কথাই অসম্ভৱ। কিন্তু সময়ত সকলো অসম্ভৱেই সম্ভৱ হৈ উঠে । যেনেদৰে কেঁচুৱা এটাই খোজকঢ়াটো সম্ভৱ হৈ উঠে ঠিক তেনেদৰে সকলো অসম্ভৱ কথাই এদিন সম্ভৱ হৈ উঠে।

বহু সময়লৈ নীলাঞ্জনাই একো উত্তৰ দিয়া নাছিল। মানুহজনৰ কথাবোৰে তাইক চিন্তিত কৰি তুলিলে। মানুহজনে তাইক কি বুলি ভাৱে বন্ধু নে আন কিবা ?

বহু সময়ৰ মূৰত তাই ক'লে- আপুনি মোৰ বিষয়ে সকলো জানে ?

- নাই নাজানো ।
- তেনেহ'লে মই অপ্ৰাপ্তিত ভুগিছো বুলি কেনেকৈ ক'লে ।
- আপোনাৰ হাঁহিটোৱেই কয় ।
- বঢ়িয়া ।
- কি বঢ়িয়া ?
- আপুনি সকলো কথা অনুমানতে ধৰি নল'ব ।
- আংশিক হ'লেওটো সচাঁ ।

কওঁ নকওঁ কৈ তাই কৈছিল- হয়।

- সুখী হ'বলৈ হ'লে, চৌপাশে বিয়পি থকা শূন্যতাবোৰ খেদি পঠিয়াবলৈ হ'লে জীৱনটো নিজে বিচৰা ধৰণে সজাব লাগিব ।
- আপুনি মোক কি সৰু ছোৱালী বুলি ভাবি আছে নেকি ? মই কাৰোবাৰ পত্নী, দুটা সন্তানৰ মাতৃ ।
- নাই ভৱা ।
- তেনেহ'লে ?
- একো তেনেহ'লে নাই । সেইবোৰ সাময়িক পৰিচয় । আচল কথাটো হ'ল আপুনি কি বিচাৰে সেইটোহে ?
- একো নিবিচাৰো। যিখিনি আছে সেইখিনিকলৈয়ে সুখী মই ।
- আকৌ এটা মিছা। হ'বয়ে নোৱাৰে। আপুনি সুখী বুলি ক'লেই মই মানি ল'ম নেকি ?
- হে ভগৱান !
- আপোনাক দেখিলেই গম পাই সকলো থাকিও আপুনি ৰিক্ত ।
- কৈছোৱেই দেখোন শূন্যতা নথকা নহয় আছে। কিন্তু যিখিনি পাইছো তাকে লৈ সুখী ।
- তেনেহ'লে আপুনি নিজক ফাঁকি দিয়াৰ বাহিৰে আন একোৱেই কৰা নাই ।

**আগলৈ....**

## চৰাইখানা

**নিবেদিতা শইকীয়া, নগাঁও**



আজি যিটো ষ্টেচন অভিমুখে আপুনি গৈ আছে
পালেই যাত্ৰা সমাপ্ত হ'ব বুলি ভাবি আছে
সেই ষ্টেচনটো পোৱাৰ পিছত দেখিব
আৰু এটা নতুন ষ্টেচনৰ
হাত বাউলি !
জীৱনটো এনেকুৱাই
যাত্ৰাৰ শেষ নাই
দূৰৰ পৰা শেষ ষ্টেচন বুলি ভবা,
হাবিয়াস থকা ষ্টেচনটো পোৱাৰ পিছত
আপুনি বৈ নাযায় তাতে
কিছুদিন জিৰণি লৈ আকৌ
যাত্ৰাৰ বাবে উদবাউল হৈ উঠে
সকলো চৰাইখানা মাত্ৰ !
লক্ষ্য সুদূৰ পৰাহত
যাত্ৰা অবিৰত, আমৰণ !

# বৰ্তমান অস্থিৰ সমাজত প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা আছে



**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

প্ৰাৰ্থনা বুলি ক'লে আধ্যাত্মিক ভাব এটা মনলৈ আহে।

প্ৰাৰ্থনা প্ৰয়োজনীয়তা আছে আৰু থাকিব। ঐতিহাসিক যুগৰ পৰাই ঋষি মুনি সকলে তপস্যা যোগেদি নিজৰ মনত ভক্তিমাৰ্গ বিচাৰি লৈছিল। সমাজৰ মঙ্গল চিন্তা কৰিছিল। প্ৰাৰ্থনাৰ বলত তেওঁ লোকে মানুহৰ ৰোগ আদি নিৰাময় কৰিবৰ চেষ্টা কৰিছিল। প্ৰায় খিনি সফলতা লাভ কৰিছিল। গতিকে প্ৰাৰ্থনাত যথেষ্ট শক্তি আছে। বৰ্তমান যান্ত্ৰিকতাৰ জীৱনত মানুহৰ মনবোৰ অশান্ত হৈ থাকে, প্ৰায় ভাগ মানুহে কম বেছি পৰিমাণে মানসিক চাপতে থাকে। প্ৰাৰ্থনাৰ দ্বাৰা মনৰ অশান্তিৰ ভাৱ নাইকিয়া কৰিব পাৰি। তাৰ কাৰণে নিজক একাত্ম ভাৱে প্ৰভুক স্মৰণ কৰিব লাগিব। গতিকে প্ৰাৰ্থনাৰ প্ৰয়োজনীয়তা আছে।

শিশু সকলকো অভিভাৱক সকলে সন্ধিয়া প্ৰাৰ্থনা কৰি নিজৰ পাঠ্যপুথি পঢ়িবলৈ শিকাব লাগে। তেতিয়া মনবোৰ সিহঁতৰ শান্ত হৈ থাকিব, একনিষ্ঠা ভাবে পঢ়িব পাৰিব। মনত পৰে আমি সৰু থাকোতে, আইতা হতে প্ৰাৰ্থনা কৰিহে পাঠ্যপুথি পঢ়িব দিছিল। সেই কাৰণে হয়তো সেই সময়ত শিশু সকলৰ মাজত নিয়মানুবৰ্তীতা, একনিষ্ঠা, আত্মবিশ্বাসৰ ভাৱ প্ৰবল আছিল।

কিন্তু বৰ্তমান নৱপ্ৰজন্ম, যুৱপ্ৰজন্মৰ মাজত সঘনে দেখা পাওঁ হতাশা আৰু অস্থিৰতা আৰু নিজৰ জীৱন পৰ্যন্ত পৰিসমাপ্তি কৰিবলৈ চেষ্টা কৰা বা হোৱা। গতিকে সিহঁতক প্ৰাৰ্থনা কৰাৰ অভ্যাস সৰুৰে পৰা গঢ় দিব লাগিব। তেতিয়াহে সমাজখন সুন্দৰ হৈ উঠিব কাৰণ আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক হ'ব।

মই নিজে গৃহিণী আৰু বিশেষ ভাৱে সক্ষম সন্তান এটিৰ মাতৃ। ৰাতিপুৱা সদায় মই গাটো তিয়াই লৈয়ে থাপনাত চাকি গছি জ্বলাই প্ৰভু চৰণত প্ৰাৰ্থনা কৰি সেৱা এটি লওঁ, দিনটোৰ কাৰণে আৰম্ভণি হয়। মন প্ৰাণ পুলকিত হৈ উঠে ঋণাত্মক ভাৱ মনলৈ নাহে। এয়া হৃদয়ৰ অনুভৱ।

# লিমাৰিক



**নিৰ্মালি কাকতি, নগাঁও জৰাবাৰী**

১

গৰম বন্ধত যাম মামাৰ ঘৰত
আইতা সাধু শুনিম নিশা জোনাকত
মামা লগত ধেমালি
মাহীৰ নাম পুতুলি
ঘোঁৰা গাড়ী উঠিম ঐ ককাৰ পিঠিত।

১

মামীয়ে ৰান্ধিলে খাই লাগে বৰ জুতি
গাঁৱলীয়া ছোৱালী নাম তাই জেউতি
হাঁহ-কোমোৰাৰ জোল
খায় যাওঁ আমি ভুল
ভাজলী শিপিনী তাই কাড়ে তাঁত বাটি।

# মানৱীয় প্ৰমূল্যবোধৰ উজ্জ্বল

সমস্যাৰ বিষয়ে জনাই মেছেজ দিলে। তাৰ পিছত তেওঁ সুকলমে আহি গুৱাহাটীৰ ঘৰ পালে।

আন এটা উদাহৰণ দিওঁ। আপুনি উচ্চ শিক্ষা লৈ হোষ্টেলৰ পৰা ওলাই আহিল ঠিকেই, কিন্তু পৰৱৰ্তী সময়ত আপুনি কোনো সংস্থাপন লাভ কৰিবলৈ সক্ষম নহ'ল। যাৰ বাবে সমস্যাই আপোনাৰ লগ নেৰা হৈছে। বহুত কষ্ট কৰি আপোনাৰ সন্তানক এটা পৰ্যায়লৈকে পঢ়ুৱালে ঠিকেই, কিন্তু মেধাবী সন্তানটিক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ আপোনাৰ সামৰ্থ নাই। অথবা আপোনাৰ নিজৰ বা পৰিয়ালৰ কাৰোবাৰ বেমাৰ হৈ চিকিৎসালয়ত ভৰ্তি হৈ আছে অথচ পৰ্যাপ্ত ধন যোগাৰ কৰাৰ সামৰ্থ আপোনাৰ নাই। তেতিয়া আপুনি কি কৰিব? নাইবা বানপানীয়ে আপোনাক সৰ্বস্বান্ত কৰিছে নেকি? নে ধুমুহাই আপোনাৰ ঘৰ-দুৱাৰ উৰুৱাই নিছে? এই ক্ষেত্ৰত কোনে আপোনাক সহায় কৰিব?

এনেবোৰ বিপদৰে আপাতকালীন সাৰথি হৈছে এই হোৱাট্‌চএপ গ্ৰুপটো। আপুনি আপোনাৰ সমস্যাৰ বিষয়ে জনাই গ্ৰুপটোত মাত্ৰ এটা মেছেজ দিয়ক আৰু স্বস্তিৰ নিশ্বাস এৰি কিছু সময় অপেক্ষা কৰক। তাৰ পিছত দেখিব আপোনাৰ মোবাইলটো টিং টিং কৰি বাজিয়ে আছে বাজিয়ে আছে। অৰ্থাৎ আপোনাৰ একাউণ্টত ধুম ধাম পইচা জমা হৈ গৈ আছে।

এবাৰ গ্ৰুপৰ সদস্য এজনৰ দেউতাক খুব টান নৰিয়াত পৰিল। তেওঁলোকৰ আৰ্থিক অৱস্থা শোচনীয়। উপায়ন্তৰ হৈ তেওঁ গ্ৰুপত মেছেজ দিলে। কোৱা বাহুল্য মাথোঁ যে আঠ ঘণ্টাৰ ভিতৰত আশী হাজাৰ টকা তেওঁৰ একাউণ্টত জমা হৈ গ'ল।

এবাৰ এগৰাকী কবিয়ে কাব্যগ্ৰন্থ এখন প্ৰকাশৰ প্ৰস্তুতি প্ৰায় সমাপ্ত কৰিছিল। কিন্তু তাৰ আগেয়ে হঠাৎ তেওঁ পৰলোকগামী হয়। তেওঁ ঢুকুৱা খবৰটো গ্ৰুপৰ সকলোৱে গম পালে, কিন্তু তেওঁৰ আধৰুৱা সপোনটোৰ কথা তেতিয়ালৈ প্ৰয়াত কবিজনাৰ দুই-এক ঘনিষ্ঠ বন্ধুৰ বাহিৰে কোনেও জনা নাছিল। তেনে এজন ঘনিষ্ঠ বন্ধু আৰু এই গ্ৰুপৰ সদস্যই কথাটো গ্ৰুপত জনালে। কিছুদিন পিছতেই AT4 ছাত্ৰাবাস চৌহদত এটা অনুষ্ঠানৰ আয়োজন কৰি প্ৰাক্তন আবাসী-কবিজনৰ কাব্যগ্ৰন্থখন প্ৰয়াত কবিজনাৰ পৰিয়ালৰ উপস্থিতিত প্ৰকাশ কৰিলে গ্ৰুপৰ সদস্যসকলে।

অতি শেহতীয়াভাৱে এজন সদস্যই পুত্ৰক MBA-ত নামভৰ্তি কৰিব যাওঁতে তেওঁ এটা ষাণ্মাসিকৰ ফিছ আগতীয়াকৈ জমা কৰিব লাগিব বুলি ভাবিছিল। কিন্তু গৈ গম পালে যে এটা নহয়, দুটা ষাণ্মাসিকৰ ফিছ দিব লাগিব। ইমান টকা হঠাতে তেওঁ যোগাৰ কৰে ক'ৰ পৰা? কথাটো মনলৈ অহাত তেওঁ গ্ৰুপত মেছেজ দিলে। দুঘণ্টাৰ ভিতৰত তেওঁৰ প্ৰয়োজনীয় ধনৰাশি গোট খালে আৰু ল'ৰাৰ নামভৰ্তি কৰিলে। পিছলৈ তেওঁ সেই ধন অৱশ্যে পৰিশোধ কৰে।

আগতেই কৈ অহা হৈছে AT4 ছাত্ৰাবাসত ৰেগিং নহয়। গতিকে সেই পৰম্পৰা ৰক্ষা কৰাৰ স্বাৰ্থত ছাত্ৰাবাসৰ নতুন প্ৰিফেক্ট বাছনি হোৱাৰ লগে লগে প্ৰাক্তন আবাসীসকলে প্ৰিফেক্টজনক গ্ৰুপতেই শপত বাক্য পাঠ কৰায় যাতে হোষ্টেলত ৰেগিংকে ধৰি অন্য কোনো অসামাজিক কাম-কাজ সংঘটিত নহয়।

গ্ৰুপটোৰ ২৭০জন সদস্যৰ বেছি সংখ্যকৰ মাজতেই দেখা-সাক্ষাৎ নাই। কোন ক'ত থাকে তাৰো নাই সম্পূৰ্ণ ঠিকনা। মুখামুখি হ'লেও হয়তো এজনে আনজনক চিনি নাপাব। অথচ এটা হোৱাট্‌চএপ গ্ৰুপে কাষ চপাই আনিছে সকলোকে, বান্ধি ৰাখিছে আপোনত্বৰ জৰিৰে আৰু নিৰ্মাণ কৰিছে মানৱ সেৱাৰ এটা সুন্দৰ পৰিৱেশ। উল্লেখযোগ্য যে, ছাত্ৰাবাসটোৰ সকলো আবাসীক এনে ধৰণে চেনেহৰ ডোলেৰে বান্ধি ৰখাৰ মূলতঃ হ'ল এজন চতুৰ্থ শ্ৰেণীৰ নেপালী সম্প্ৰদায়ৰ কৰ্মচাৰী যাক সকলোৱে চেনেহ আৰু শ্ৰদ্ধাৰে 'প্ৰসাদজী' বুলি সম্বোধন কৰিছিল।

প্ৰতিখন শিক্ষানুষ্ঠান-তেই যদি এনে বিশুদ্ধ চিন্তাৰ কৰ্ষণ হ'লহেঁতেন! কল্পনা কৰকচোন।



**ৰাজশ্ৰী শৰ্মা,গোলাঘাট, দেৰগাঁও**

১

বজাৰলৈ গৈছিলো কিনিম বুলি মাছ।
জুতি লগাই খাম ভালকৈয়ে এসাজ।
মাছ যে পালোঁগৈ পুথি।
কেনেকৈ লগাম জুতি।
পতত দিয়া মাছেৰে খালো ভাত সাজ।

২

আইতাৰ মৰমৰ বৰ নাতি জ্যোতি।
তাইৰ হেনো নাকটো বৰকৈয়ে ছুটি।
প্ৰত্যেকে সেইটো কয়।
কথাটো মিছা নহয়।
মুখখন সঁচাকৈ ঐ ফেঁচা যেন দেখি।

৩

কঁঠাল খাবলৈ মন গৈছিল বৰকৈ।
পাৰিলো বাৰীৰে সৰু দুটা দাৰীকি লৈ।
খকত সোপাকে খালোঁ।
পৰিণাম নাভাবিলোঁ।
ঘামচিৰ চিত্‌চিতনি থাকো কেনেকৈ।

৪

সকলোৱে ভাবিছিল পৰম সুন্দৰী।
কথাই বতৰাই হেনো মস্ত দন্দুৰী।
বৰযুগত তিতিলে।
মোকাপ বোৰ গুছিলে।
এতিয়া গমপালে সেইজনী বান্দৰী।

# কেন্দ্ৰীয় বাজেটত

থকা সোণৰ মূল্যও এনে হাৰতেই হ্ৰাস পায়। সোণৰ মূল্য হ্ৰাস পোৱাৰ পিছত সোণৰ জৰিয়তে লাভ কৰা ঋণৰ পৰিমাণো কমি যায়। এনে ক্ষেত্ৰত সোণ ৰাখি ঋণ প্ৰদান কৰা কোম্পানীসমূহেও লোকচানৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তথ্য মতে, ভাৰতীয় পৰিয়াল আৰু মন্দিৰত ৩০, ০০০তকৈ অধিক টন সোণ আছে। এই সোণৰ মূল্য হ্ৰাস পোৱাত এদিনতে ১০.৮ লাখ টকা সোণে হেৰুৱাবলগীয়া হয়। লক্ষণীয় যে বাজেটত সোণৰ আবকাৰী মূল্য হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত চোৰাং সোণৰ বেপাৰৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ নে নেতিবাচক প্ৰভাৱ পৰে, সেয়া নিশ্চিত নহয়। ঠিক তেনেদৰে কেন্দ্ৰীয় চৰকাৰে সোণৰ জৰিয়তে সংগ্ৰহ কৰি থকা ৰাজহ হ্ৰাস কৰাৰ পিছত কিমানখিনি ৰাজহ সংগ্ৰহ হ'ব, তাক লৈও চৰ্চাৰ বিষয়। কিয়নো ভাৰতে বৃহৎ পৰিমাণৰ সোণ আমদানি কৰে।

# ২০২৪ত অসমত

২০২৩ চনত সেই হাৰ ৫০.২২ শতাংশলৈ বৃদ্ধি পায়। চলিত ২০২৪ চনৰ জুন মাহপৰ্যন্ত ৬৩ শতাংশৰো অধিক গোচৰৰ চাৰ্জশীট দাখিল কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতে, বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বাবেই ৰাজ্যখনত এতিয়া অপৰাধৰ হাৰ হ্ৰাস পোৱাৰ লগতে ৰুজু হোৱা গোচৰৰ বিপৰীতে চাৰ্জশীট দাখিলৰ হাৰ বৃদ্ধি পাইছে। জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বৰ্তমানৰ চৰকাৰখন দায়বদ্ধ।

# দৰঙত নতুন নৌকা

কথা স্মৰণ কৰি তেওঁ কয় যে হিমালয়ৰ পৰ্বতীয়া অঞ্চলৰ পিছপৰা গ্ৰামাঞ্চলৰ পৰা ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰিৰ বাসিন্দালৈকে সকলো পিছপৰা অঞ্চলৰ বাসিন্দাই চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত পিছপৰি ৰয়। অৱশ্যে বৰ্তমান চৰকাৰ আৰু বিভিন্ন সংস্থাৰ উদ্যোগত এই ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন আহিছে। উক্ত নৌকা স্বাস্থ্য সেৱাই দৰঙৰ চৰ-চাপৰি অঞ্চলৰ চিকিৎসা সেৱাৰ যথেষ্ট উন্নয়ন সাধন কৰিব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম চৰকাৰৰ প্ৰাক্তন অতিৰিক্ত মুখ্য সচিব আৰু চি-নেছৰ ন্যাসৰক্ষী হিমাংশু শেখৰ দাসে কয় যে পিছপৰা অঞ্চলত সামান্য স্বাস্থ্য সচেতনতা আৰু ন্যূনতম চিকিৎসা সেৱাৰ অভাৱতে মানুহে কষ্ট ভোগে। নিজৰ চাকৰি জীৱনৰ অভিজ্ঞতাৰ কথা স্মৰণ কৰি শদিয়াৰ পৰা ধুবুৰীলৈকে এই কথা প্ৰযোজ্য বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে স্বাস্থ্য সচেতনতা আৰু সামান্য সুবিধাৰ অভাৱত মহিলাসকলে জীৱনজুৰি যন্ত্ৰণা ভোগে। এইক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। চৰকাৰৰ সৈতে বেচৰকাৰী প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আদিৰ সহযোগিতাই স্বাস্থ্য খণ্ডত বিভিন্ন পৰিৱৰ্তন সাধন কৰিব পাৰে আৰু আজিৰ পৰা আৰম্ভ হোৱা নৌকা স্বাস্থ্য সেৱা ইয়াৰে উদাহৰণ বুলি তেওঁ লগতে কয়। জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে অনুষ্ঠানত ভাষণ প্ৰদান কৰি কয় যে দৰং জিলাই স্বাস্থ্য ক্ষেত্ৰত শেহতীয়াভাৱে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। পূৰ্বে নৱজাতকৰ মৃত্যুৰ হাৰ আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰৰ ক্ষেত্ৰত জিলাখন যথেষ্ট পিছপৰি আছিল। কিন্তু স্বাস্থ্য বিভাগ, জিলা প্ৰশাসন আৰু সংশ্লিষ্ট সকলোৰে সহযোগত এনে মৃত্যুৰ হাৰ শেহতীয়াকৈ উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। জিলাখনত চৰ অঞ্চলত নাৱেৰে সময়ে সময়ে টীকাকৰণ আৰু অন্যান্য চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হয়। আজিৰে পৰা আৰম্ভ হোৱা নৌকা স্বাস্থ্য সেৱাৰ পৰা চৰ-চাপৰিৰ ৰাইজ চিকিৎসা লাভৰ ক্ষেত্ৰত বিশেষভাৱে উপকৃত হ'ব বুলি মন্তব্য কৰে। ইয়াৰ বাবে তেওঁ গ্লেনমাৰ্ক ফাউণ্ডেশ্যন আৰু চি-নেছলৈ ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্যৰ লগতে স্বাস্থ্য বিভাগৰ জিলা আৰু খণ্ড পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী, গ্লেনমাৰ্ক ফাউণ্ডেশ্যন আৰু চি-নেছৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# গণেশপাৰা আঞ্চলিক

সম্বৰ্ধনা জনোৱা হয়। ইয়াৰে শ্ৰেষ্ঠ নম্বৰ পোৱা কৃতি ছাত্ৰী গৰাকীক শিক্ষয়িত্ৰী দীপা শৰ্মাই গামোচা, শৰাইৰে সম্বৰ্ধনা জনোৱা হয়। সভাত সমজুৱাৰ ফালৰ পৰা প্ৰাক্তন অধ্যাপিকা গায়ত্ৰী বৰঠাকুৰ, শিক্ষয়িত্ৰী দীপা শৰ্মা, অধ্যাপক দেৱপ্ৰসাদ মিশ্ৰ , ড°হোমেশ্বৰ কাকতিয়ে সাহিত্য সমাজৰ লগতে কিছু অনুভৱ ব্যক্ত কৰে। সদস্য উমেশ চন্দ্ৰ ভাগৱতীয়ে শলাগৰ শৰাই আগবঢ়ায়। আনহাতে, ২১ জুলাইত চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়।

# পঞ্চ ইন্দ্ৰিয়ৰ অন্যতম

পৰ্দাত অৰ্থাৎ অক্ষিপট বা ৰেটিনাত বস্তুটোৰৰ পৰা অহা পোহৰ পেলায়। এই অক্ষিপটত বহুতো স্নায়ুকোষ থাকে। স্নায়ুকোষে অনুভৱ কৰা অনুভূতি বোৰ নেত্ৰস্নায়ু ৰ জৰিয়তে মগজুলৈ যায় । তাৰ পিছত মগজুৱে বিশ্লেষণ কৰি সঠিক ৰূপত দৃষ্টিৰ অনুভূতি জগায়। কোনো বস্তুৰ প্ৰতিবিম্বৰ সাঁচ অক্ষিপটত প্ৰায় 1/16 ছেকেণ্ড পৰ্যন্ত ৰৈ যায়। সেয়ে বস্তু এটাৰ ছবি আমাৰ মনত থাকি যায়। আমাৰ চকুৰ পতাই চকুত যিকোনো বস্তু সোমোৱাত বাধা দিয়ে। প্ৰয়োজন নহ'লে চকুলৈ পোহৰ সোমাবলৈয়ো নিদিয়ে।

চকুযোৰ এনে এবিধ সঁজুলি যাৰ সহায়ত আমি দূৰৰ আৰু ওচৰৰ সকলো বস্তুৰেই দেখা পাওঁ। স্বাভাৱিক চকুৰে পঢ়িব পৰা সুবিধাজনক দূৰত্ব হৈছে প্ৰায় ২৫ চেণ্টিমিটাৰ। আমাৰ চকু দুটা হোৱাৰ বাবে কি কি সুবিধা হৈছে কেতিয়াবা ভাবি চাইছা নে বাৰু? এটা চকুত কৈ দুটাই বহল অংশ দেখো। অৰ্থাৎ 180° প্ৰসাৰ দেখা পোৱা যায়। তাৰোপৰি দুটা হোৱাৰ বাবে কম পোহৰত বস্তু দেখা পোৱাত সহায় হয়। আমাৰ চকু দুটা মূৰৰ সন্মুখৰ ফালে থকা বাবে পিছফালে দেখা নাপাওঁ।

কেঁকোৰাৰ চকু ক'ত অৱস্থিত মন কৰিছানে? কেঁকোৰাৰ চকু সৰু যদিও চাৰিওফালে একে সময়তে চাব পাৰে। সহস্ৰাধিক ক্ষুদ্ৰ চকুৰে গঠিত পখিলাৰ চকুৰ আকাৰ ডাঙৰ বাবে সিহঁতে চাৰিওফালে দেখা পায়। আমি আমাৰ চকুৰ গুৰুত্ব বুজি যত্ন লব লাগে। সূৰ্য বা তীব্ৰ পোহৰৰ উৎসলৈ পোনপটীয়াকৈ চাব নালাগে। চকুত লেতেৰা হাত বা কাপোৰ লগাব নালাগে। পৰিষ্কাৰ পানীৰে ধুব লাগে। নিৰ্দিষ্ট দূৰত্বত ৰাখিহে কিতাপ পঢ়িব লাগে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

প্ৰতিগৰাকী ভাৰতীয় আৰু ৰাজ্যসমূহে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে। জনতাৰ সৈতে প্ৰত্যেক্ষভাৱে সম্পৰ্কিত ৰাজ্য চৰকাৰসমূহে 'বিকশিত ভাৰত' গঢ়াৰ গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলি কয় নৰেন্দ্ৰ মোদীয়ে। বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি নিটি আয়োগৰ সদস্য কেন্দ্ৰীয় মন্ত্ৰীসকল উপস্থিত থাকে। তাৎপৰ্যপূৰ্ণ যে বিৰোধী 'ইণ্ডিজোঁট'ৰ অধিকাংশ ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এই বৈঠক বৰ্জন কৰে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই বৈঠকত উপস্থিত থাকে যদিও তেওঁক কথা ক'বলৈ সুযোগ নিদি মাইক্ৰ'ফোন বন্ধ কৰি দিয়াৰ বাবে বৈঠক আধাতে এৰি আহে। বৈঠক মাজভাগতে এৰি অহা মমতা বেনাৰ্জীয়ে কৰা অভিযোগ কেন্দ্ৰই খাৰিজ কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা মতে, পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকত নিৰ্ধাৰণ কৰা সময়খিনি অতিক্ৰম কৰাৰ পিছতে মাইক্ৰ'ফোন বন্ধ কৰি দিয়া হৈছে। আনপিনে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰকাশ কৰা মতে, তেওঁ বক্তব্য আগবঢ়োৱাৰ সময়ত বাৰম্বাৰ বিং বজাই বক্তব্য দিয়াত বাধা দিয়াৰ পিছত মাইক্ৰ'ফোন বন্ধ কৰি দিয়ে। ইয়াকে লৈ শাসকীয় বিজেপি আৰু বিৰোধী ৰাজনৈতিক দলৰ মাজত তীব্ৰ বাকযুদ্ধ চলিছে। আনপিনে এই বৈঠক কংগ্ৰেছশাসিত ৰাজ্য কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ছিদ্দাৰামায়া, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে বৰ্জন কৰে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন, কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়ন, পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু দিল্লীৰ চৰকাৰেও এই বৈঠক বৰ্জন কৰে। আনহাতে শাসকীয় এনডিএৰ সহযোগী দল জেডিইউৰ মুৰব্বী তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰও এই বৈঠকত উপস্থিত নাথাকে। অৱশ্যে বিহাৰৰ দুগৰাকী বিজেপিৰ উপ-মুখ্যমন্ত্ৰীয়ে এই বৈঠকত অংশগ্ৰহণ কৰে।

# বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ

জুলাইত ইয়াৰ সামৰণি পৰিব। তাৰ পূৰ্বে বিশ্ব ঐতিহ্য সমিতিয়ে চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। ২০১৪ চনতে চৰাইদেউৰ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ সম্ভাব্য তালিকাত স্থান লাভ কৰিছে। কিন্তু আনুষ্ঠানিক স্বীকৃতিৰ বিষয়টো আগবঢ়া নাছিল। ইয়াৰ বাবে প্ৰয়োজনীয় ড'ছিয়াৰখন তিনি বছৰ পূৰ্বেহে ইউনেস্ক'ত দাখিল কৰা হৈছিল কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্য চৰকাৰৰ তৎপৰতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহোপুৰুষাৰ্থ উল্লেখনীয়। এক কথাত ক'বলৈ গ'লে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অগ্ৰণী ভূমিকাৰ বাবে চৰাইদেউৰ মৈদামে এই বিৰল স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ল। চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভৰ পথ সুচল কৰি দিবলৈ এইবাৰ ভাৰতৰ পৰা একমাত্ৰ মনোনয়ন হিচাপে ইউনেস্ক'ৰ মজিয়াত উপস্থাপন কৰা হৈছিল। চৰাইদেউৰ মৈদামে সাংস্কৃতিক শিতানত ইউনেস্ক'ৰে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি দিছে। ইয়াৰ পূৰ্বে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানে প্ৰাকৃতিক শিতানত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা লাভ কৰিছে। চৰাইদেউৰ মৈদামে স্বীকৃতি লাভ কৰাৰ লগে লগে অসমত বিশ্ব ঐতিহ্য সম্পদ বৃদ্ধি পালে তিনিটালৈ। সেইদৰে দেশত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ সংখ্যা হ'লগৈ ৪৩খন। ইউনেস্ক'ৰে বিশ্বৰ ১৬৮খন দেশৰ ১, ১৯৯টা সম্পদক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা প্ৰদান কৰিছে। ভাৰত মণ্ডপমত অনুষ্ঠিত সংবাদ মেলখনত কেন্দ্ৰীয় মন্ত্ৰী শেখাৱটে সদৰী কৰা অনুসৰি সম্প্ৰতি চৰাইদেউৰ মৈদাম ভাৰতীয় প্ৰত্নতাত্বিক জৰীপ (এএছআই) আৰু অসম চৰকাৰৰ প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ে যুটীয়াভাৱে পৰিচালনা কৰি আছে। ইউনেস্ক'ৰ পৰামৰ্শ অনুসৰি চৰাইদেউৰ মৈদামত নিৰ্মাণ কৰি থকা হৈছে এটা 'ছাইট মিউজিয়াম'। কেন্দ্ৰীয় মন্ত্ৰী শেখাৱটে কয় যে আমি আমাৰ ইতিহাস আৰু বীৰ যোদ্ধাসকলক লৈ গৌৰৱান্বিত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে নতুন দিল্লীত আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ জয়ন্তী উদ্‌যাপন কৰা হৈছিল। আজিৰ দিনটোত কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম চৰকাৰৰ বাবেও অতি গুৰুত্বপূৰ্ণ। চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত বিশ্ব ঐতিহ্য সমিতিৰ মজিয়াত আন্তৰ্জাতিক সমুদায়ে কোনোধৰণৰ বিৰোধিতা নকৰিলে বুলিও তেওঁ সদৰী কৰে। চৰাইদেউৰ মৈদাম সন্দৰ্ভত ইউনেস্ক'ৰ ৱেবছাইটত কোৱা হৈছে এইদৰে পূব অসমৰ পাটকাই পাহাৰৰ পাদদেশত অৱস্থিত এই সম্পদত আছে টাই আহোমৰ ৰাজকীয় নেক্ৰ'পলিচ। ৬০০ বছৰ ধৰি টাই আহোমে পাহাৰ, বনাঞ্চল আৰু পানীৰ প্ৰাকৃতিক ভূ-প্ৰকৃতিৰ ৰূপ দি মৈদাম সৃষ্টি কৰি এক পবিত্ৰ ভূগোল গঠন কৰিছিল। ঠাইখনত ইটা, শিল বা মাটিৰে নিৰ্মিত ৯০টা মৈদাম পোৱা গৈছে। স্বীকৃতি প্ৰদানৰ পূৰ্বে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভযোগে অসমবাসীক জনাইছিল, চৰাইদেউ মৈদামলৈ ইউনেস্ক'ৰ স্বীকৃতি অসমৰ জনসাধাৰণৰ বাবে এক মাইলৰ খুটি হ'ব। আমি আনুষ্ঠানিক ঘোষণাৰ বাবে অপেক্ষা কৰিছো। এই স্মৰণীয় মুহূৰ্ত প্ৰত্যক্ষ কৰিবলৈ আমি একত্ৰিত হওঁ আহক, একেলগে উদযাপন কৰোঁ আহক আমাৰ সমৃদ্ধ ঐতিহ্য আৰু গৌৰৱ।

## ENGLISH NEWS SECTION

# Governor inaugurates the Administrative Building of Krishi Vigyan Kendra, AAU



Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria inaugurated the newly built auditorium of Sarat Chandra Sinha College of Agriculture and administrative building of Krishi Vigyan Kendra (KVK) of Assam Agricultural College at Chapor in Dhubri district at a programme held at Chapar. Speaking on the occasion, Governor Shri Kataria said, "Agriculture holds paramount importance in our nation, and its development influences national prosperity and GDP growth. However, there is a noticeable reluctance among individuals to pursue farming as their way of livelihood. Therefore, it is incumbent upon students and agricultural scientists to educate and inspire farmers to adopt scientific methods of farming and its high yielding produce." Shri Kataria also said that Agricultural University should take steps to adopt farmlands to demonstrate how modern techniques can facilitate round the year cultivation. By showcasing high yielding agricultural outputs and the innovative practices to grow them, they can highlight the potential of sustainable farming.

# Governor holds meeting with district administration of Bongaigaon




Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria held a review meeting with the district administration of Bongaigaon to assess the progress of various Central and State government schemes in the district at DC's conference hall in Bongaigaon. As a part of his four day Lower Assam tour, Governor Shri Kataria on the third day met District Commissioner Nabadeep Pathak and senior officers of the district over a meeting where he reviewed the progress of implementation of the government schemes and assessed how these schemes championed the cause of welfare of the people of the district. During the meeting, the Governor stressed on AADHAR seeding which is many a times one of the important prerequisites for accessing to government schemes. He asked the administration to complete AADHAR seeding of the beneficiaries who have the AADHAR number generated in their name.

# Balraj Panwar finishes 4th in men's singles sculls heat



RB News: India's sole rower at the Paris Olympics 2024, Balraj Panwar secured the fourth-place finish in the Heat 1 of the Men's Singles Sculls. The 25-year-old Indian finished at fourth place with a timing of 7:07.11, which confirmed his participation in the repechage round, which will be held on Sunday, July 28.

# Governor holds meeting with district administration in Baksa



Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria visited Baksa where he visited Dr. Ravi Boro Civil Hospital in Mushalpur and took stock of the treatment facilities available in the hospital. Accompanied by Handloom, Textile and Sericulture Minister UG Brahma, Governor Shri Kataria during his visit to the hospital enquired about different wards and the facilities made available to the patients. He also took note of the vacancies in the hospital and said that appropriate steps will be taken to address the issue. The Governor also interacted with some of the patients in the hospital and took their suggestions for improving the services of the hospital. He took a note on patient registration records for both OPD and IPD and asked Superintendent Chakradhar Barman to make adequate efforts to give possible healthcare facilities to the patients in the hospital itself, without having them to visit Guwahati. The Governor also enquired about the institutional deliveries carried out in the hospital.

# Manu Bhaker becomes 1st Indian shooter to reach final at Paris Olympics



RB News: Manu Bhaker on Saturday became the first Indian shooter to reach the final at Paris 2024 Olympics. The 22-year-old qualified for the final of women's 10m Air Pistol event. She came third in the qualification event with 580-27x points. In Tokyo Olympics, Bhaker couldn't qualify for women's 10m Air Pistol final after her pistol malfunctioned.

# নিচাযুক্ত দ্ৰব্যৰ প্ৰতি যুৱ-প্ৰজন্মৰ আসক্তি

নামৰ কঠিন ৰোগ মদ পানৰ পৰা সৃষ্টি হোৱা বুলি চিকিৎসকসকলে প্ৰমাণ কৰিছে। অসমত পৰম্পৰাগতভাৱে ‘তামোল’ক সন্মানৰ চিন হিচাপে ধৰা হয় যদিও শৰীৰৰ কৰ্কট ৰোগ সৃষ্টিকাৰী উপাদান থকা বাবে ই আমাৰ স্বাস্থ্যৰ বাবে একেবাৰেই ভাল নহয়। বহুক্ষেত্ৰত যুৱক-যুৱতীসকল নিচাযুক্ত দ্ৰব্য সেৱনৰ প্ৰতি আকৰ্ষিত হোৱাৰ মূল প্ৰৱেশদ্বাৰ হিচাবে ‘তামোল’ কেই গণ্য কৰা হয়।

ছাত্ৰ-ছাত্ৰী তথা যুৱ-প্ৰজন্ম নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হোৱাৰ বহুতো কাৰণ থাকিব পাৰে। ইয়াৰে বেছি সংখ্যকেই সংগ দোষত অথবা কৌতূহলৰ বশৱৰ্তী হৈ নিচাযুক্ত দ্ৰব্যসমূহ প্ৰথমে সেৱন কৰিবলৈ আৰম্ভ কৰে। অতি কম দিনৰ ভিতৰতে তেওঁলোক নিচাসক্ত হৈ পৰে আৰু ইয়াক এৰিব নোৱাৰা হয়। অসমত এই দ্ৰব্যসমূহ সহজে উপলব্ধ হোৱাৰ ফলত ৰাজ্যৰ একাংশ যুৱক-যুৱতী ইয়াৰ কৱলত অতি সোনকালে পৰিবলৈ লয়। পৰিয়ালৰ কোনো জ্যেষ্ঠ সদস্যই যদি এনে ৰাগিয়াল দ্ৰব্য সেৱন কৰে, তেওঁলোকৰ পৰাও বহুত যুৱক-যুৱতী এইসমূহৰ কাষ চাপি আহে। কৈশোৰ অৱস্থাত সকলো ল’ৰা-ছোৱালীয়ে এক নতুনত্ব বিচাৰে য’ত তেওঁলোকে নতুন-নতুন বস্তু খাবলৈ চেষ্টা কৰি চাব বিচাৰে আৰু পৰিণামৰ প্ৰতি কোনো মনোযোগ দিব নিবিচাৰে। ইয়ো যুৱক-যুৱতীসকল নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হোৱাৰ অন্যতম কাৰণ হ’ব পাৰে। এই সময়ছোৱাত সামাজিক মাধ্যমৰ দ্বাৰাও তেওঁলোক যথেষ্ট প্ৰভাৱান্বিত হয়। তেওঁলোকে বিজ্ঞাপন আদিত দেখিবলৈ পোৱা উচ্চাকাংক্ষী চেলিব্ৰেটিৰ দৰে থাকিবলৈ ইচ্ছা কৰে। হতাশা আৰু মানসিক হেঁচাত পৰিও বহু যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়।

এতিয়া প্ৰশ্ন হ’ল - যুৱ-প্ৰজন্মৰ মাজত গঢ় লৈ উঠা এই নিচাসক্তি কেনেদৰে প্ৰতিকাৰ কৰিব পৰা যায়। এখন নিচামুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষাগুৰুসকলৰ সমান্তৰালভাৱে সমাজৰ প্ৰতিজন নাগৰিক সজাগ হ’ব লাগিব আৰু দৃষ্টি নিক্ষেপ কৰিব লাগিব।

আগলৈ....




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286